গৱেষণা-বিদ্যায়তনিক-সৃজনীমূলক বাৰ্ষিক পত্ৰিকা

# আধাৰ

সংখ্যা ঃ ১২

অসমীয়া বিভাগ
সোণাৰি মহাবিদ্যালয়
তাং ঃ ৫ আগষ্ট, ২০২৬ বৰ্ষ

# সাহিত্যম্ আৰু আধাৰ সমিতিৰ বিষয়ববীয়া তথা সদস্যসকল

| | |
|---|---|
| **উপদেষ্টা -** | ষষ্ঠ ষান্মাসিকৰ সমূহ ছাত্ৰ-ছাত্ৰী |
| **যুটীয়া সম্পাদক -** | চতুৰ্থ ষান্মাসিক<br>১. শিখামণি হাতীমুৰীয়া<br>২. পলি ফুকন |
| **সহকাৰী সম্পাদক -** | চতুৰ্থ ষান্মাসিক<br>১. কামাখ্যা কোঁৱৰ<br>২. পম্পীৰ লিকচন |
| **সদস্য -** | চতুৰ্থ ষান্মাসিক<br>১. দীক্ষিতা শ্যাম<br>২. পলাশ গগৈ |
| **প্ৰকাশক -** | অসমীয়া বিভাগ, অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ, সোণাৰি মহাবিদ্যালয় |
| **প্ৰকাশ কাল -** | ৫ আগষ্ট ২০২৬ চন<br>(সোণাৰি মহাবিদ্যালয় ৫৬ সংখ্যক প্ৰতিষ্ঠা দিৱসত প্ৰকাশিত) |

অধ্যক্ষৰ কাৰ্যালয়

# সোণাৰি মহাবিদ্যালয়

স্থাপিত ঃ ১৯৭০
ডাকঃ সোণাৰি, জিলাঃ চৰাইদেউ (অসম)
পিন ঃ ৭৮৫৬৯০
ই মেইল ঃ principalsonaricollege@gmail.com
দূৰভাষ ঃ ০৩৭৭২ ২৫৬৫১৫

পত্ৰ ক্ৰমাংক নং ঃ ........................................ তাং ঃ ০১/০৭/২০২৬

## অধ্যক্ষৰ মেজৰ পৰা

সোণাৰি মহাবিদ্যালয়ৰ এঘাৰ (১১) টা শৈক্ষিক বিভাগৰ অন্যতম হৈছে "অসমীয়া বিভাগ"। এই বিভাগৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক - শিক্ষয়ত্ৰী সকলৰ প্ৰচেষ্টাৰ ফলস্বৰূপে কেইবাখনো পত্ৰিকা প্ৰকাশিত হৈছে। "সাহিত্যম" নামৰ প্ৰাচীৰ পত্ৰিকা, "দৈনিক লেখা" নামৰ দৈনিক প্ৰাচীৰ পত্ৰিকাৰ উপৰিও "বতৰা" নামৰ মাহেকীয়া প্ৰাচীৰ সংবাদ পত্ৰ এখন অসমীয়া বিভাগে প্ৰকাশ কৰি আহিছে।

"অসমীয়া বিভাগ আৰু "অসমীয়া অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ", সোণাৰি মহাবিদ্যালয়ৰ গৱেষণা-বিদ্যায়তনিক - সৃজনীমূলক বাৰ্ষিক পত্ৰিকা হৈছে "আধাৰ"। এই পত্ৰিকা খনিত লেখা-মেলা কৰি ছাত্ৰ-ছাত্ৰী সকলে পিছলৈ অন্য কাকত আলোচনীত সৃজনীমূলক লেখা প্ৰকাশ কৰিবলৈ অনুপ্ৰাণিত হৈছে।

"আধাৰ" পত্ৰিকাৰ দ্বাদশ সংখ্যাটি প্ৰকাশ কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰা বুলি জানিব পাৰি সুখী হৈছো। অসমীয়া বিভাগৰ এই যাত্ৰা অব্যাহত থাকক আৰু নতুন নতুন লেখক-লেখিকা সকলক অসমীয়া ভাষা জননীৰ সেৱাৰ বাবে উৎসাহ প্ৰদান কৰক। শেষত "আধাৰ"ৰ প্ৰকাশৰ লগত জড়িত সকলোলৈকে শুভেচ্ছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

০১/০৭/২০২৬

(ড° বিমল চন্দ্ৰ গগৈ)
অধ্যক্ষ,
সোণাৰি মহাবিদ্যালয়

অধ্যক্ষ
সোণাৰি মহাবিদ্যালয়
সোণাৰি

# বিভাগীয় প্ৰধানৰ একাষাৰ

ঐতিহাসিক চৰাইদেউ জিলাৰ বৃহৎ উচ্চ শিক্ষাৰ অনুষ্ঠান হৈছে সোণাৰি মহাবিদ্যালয় ।এই মহাবিদ্যালয়ত থকা এঘাৰটা বিভাগৰ অন্যতম ‘অসমীয়া বিভাগ’। চৰাইদেউ জিলাৰ শিক্ষা- সাহিত্য- সংস্কৃতিৰ লগত জড়িত থকা পুৰোধা ব্যক্তিসকলৰ এজন আছিল সোণাৰিৰ প্ৰয়াত গদাধৰ চুতীয়াদেৱ। তেখেতৰ কাৰ্যকালতে গঢ় লৈ উঠা অসমীয়া বিভাগৰ এক সুকীয়া ইতিহাস আছে। পৰৱৰ্তী সময়ত এনে বহুজন অধ্যাপকৰ বহু কষ্ট তথা ত্যাগৰ ফলত অসমীয়া বিভাগত ‘সন্মান’ বিষয় বা ‘অনাৰ্চ’ খোলা হৈছিল আৰু ক্ৰমাৎ ছাত্ৰ- ছাত্ৰীৰ সংখ্যা বাঢ়ি বাঢ়ি আজিৰ এই পৰ্যায় পাইছেহি। শ্ৰদ্ধাৰ ক্ৰমে সোণমাই বড়া বাইদেউ, ৰতিপ্ৰভা গগৈ বাইদেউ আৰু প্ৰয়াত বিনন্দ মহন ছাৰৰ সান্নিধ্য পোৱাৰ সৌভাগ্য আমাৰ হৈছিল। অদ্যপি লিটাৰেচাৰ বা সাহিত্যৰ বিভাগ হিচাপে তুলনামূলকভাৱে য'ত ছয় সাতজন স্থায়ী শিক্ষকৰ প্ৰয়োজন হয়, তাত এতিয়াও আমি তিনিজন শিক্ষকে এটা বিশাল পাঠ্যক্ৰমিক পৰিসৰ সামৰি থাকিবলগীয়া হোৱাটো আমাৰ মহাবিদ্যালয়ৰ বাবে দুৰ্ভাগ্যজনক। সমান্তৰালভাৱে, সৌভাগ্যক্ৰমে আমি আমাৰ উচ্চ শিক্ষিত ছাত্ৰ- ছাত্ৰী তিনিজনক শিক্ষকৰ অভিজ্ঞতা লাভৰ বাবে সুযোগ প্ৰদান কৰাব পাৰিছো,এয়াও কম আনন্দৰ কথা নহয়।

অসমীয়া বিভাগত ছাত্ৰ ছাত্ৰীৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ এক সুকীয়া ক্ষেত্ৰ ৰচনা কৰা আজি প্ৰায় বাৰ বছৰৰো অধিক কাল হ'ল। সাহিত্যম্ ,বতৰা, দৈনিক লেখা আদি প্ৰাচীৰ পত্ৰিকাৰ লগতে বছৰেকীয়া ‘গৱেষণা- বিদ্যায়তনিক -সৃজনীমূলক পত্ৰিকা’-আধাৰ’ এইবাৰ দ্বাদশ সংখ্যা প্ৰকাশৰ বাবে সাজু হৈ উঠিছে। বছৰি সাহিত্যম্‌ৰ দুটা সংখ্যা প্ৰকাশ হয়। বিশেষ সংখ্যা প্ৰকাশ পায় পাঁচ ছেপ্টেম্বৰ অৰ্থাৎ শিক্ষক দিৱসৰ দিনটোত। পঞ্চম যান্মাসিকৰ ছাত্ৰ- ছাত্ৰী সকলে নিজা চিন্তা-চৰ্চাৰে এই সংখ্যা প্ৰকাশ কৰি শিক্ষাগুৰুক শ্ৰদ্ধা নিবেদন কৰে।‘বতৰা’ত চৰাইদেউ জিলাৰ সাম্প্ৰতিক বা- বাতৰিৰ বিশেষ সংগ্ৰহ থাকে আৰু লগতে বাতৰি লিখাৰ পদ্ধতি ছাত্ৰ- ছাত্ৰীক শিকোৱা হয়। বৰ্তমানৰ দক্ষতাভিত্তিক শিক্ষা ব্যৱস্থাৰ ই একপ্ৰকাৰৰ কৌশলগত প্ৰয়োগ বুলি ক'ব পাৰি। ‘দৈনিক লেখা’ হৈছে দৈনন্দিন সাহিত্য চৰ্চাৰ কঠিয়াতলী। মূল প্ৰাচীৰ পত্ৰিকা ‘সাহিত্যম্ ’ প্ৰতি বছৰে ন-ন বিষয়বস্তু, চিন্তন, সৃজনশীলতাসহ আত্মপ্ৰকাশিত হয়, য'ত শিক্ষকসকলে কেৱল নামকৰণ, অলংকৰণ, পৰিপাতিত্ব, ন -ন প্ৰযুক্তি- কলা -কৌশল, অব্যৱহৃত সামগ্ৰীৰ কলাত্মক তথা প্ৰতীকাত্মক প্ৰয়োগ , থ্ৰি ডি আদিৰ ব্যৱহাৰৰ বিষয়ে সম্যক আভাস দিবলৈ প্ৰয়াস কৰে।

‘আধাৰ’ সবাতোকৈ গুৰুত্বপূৰ্ণ তথা স্থায়ী ছপা ৰূপৰ বাৰ্ষিক পত্ৰিকা । এইবাৰৰ দ্বাদশ সংখ্যাটিত অসমীয়া বিভাগৰ দ্বাৰা অনুষ্ঠিত বিভিন্ন বিদ্যায়তনিক আলোচনা -চক্ৰ, কৰ্মশালা, MOU, প্ৰকল্প,দিনলিপি,প্ৰতিযোগিতা, বঁটা বা সন্মান প্ৰাপ্তি - সকলো দিশ সামৰি ল'বলৈ যত্ন কৰা হৈছে যাতে ভৱিষ্যত প্ৰজন্মৰ বাবে ‘আধাৰ’ গৱেষণাৰ এক সমল হিচাপে চিহ্নিত হ'ব পাৰে।

অসমীয়া ভাষা সাহিত্যৰ চৰ্চা কৰাটো দেখাত বৰ সহজ যেন লাগিলেও কাৰ্যত: বৰ জটিল কাম। আমি বাৰ্তালাপ কৰোঁতে বা বক্তৃতা দিওঁতে অজানিতে বহু ভুল কৰোঁ, যিবিলাক

সচৰাচৰ চকুত নপৰে। উদাহৰণস্বৰূপে - শিৰোনাম/ শিৰোনামা; যাতায়ত/ যাতায়াত; সিচৰিত/ সিঁচৰতি; মৰ্যদা/মৰ্যাদা; মূৰৰ শিতান, ভৰিৰ পথান ইত্যাদি। বহু ৰাজনীতিবিদ বা বক্তাই 'ৰাইজসকল','সমগ্ৰ অসমবাসী ৰাইজসকল'- আদি সম্বোধনেৰে বহুবচনৰ মেলা পাতে। আমি আজিকালি আন এজন ব্যক্তিলৈ ৰৈ নাথাকো বা অপেক্ষা নকৰো, 'ৰখি' থাকো। হিন্দী ভাষা বেছি শুনা বা ব্যৱহাৰ কৰাৰ ফলত বাক্যৰ শেষত অপ্ৰয়োজনীয়ভাৱে বহুত ছাত্ৰ- ছাত্ৰীয়ে 'হয়' ব্যৱহাৰ কৰে,যেনে- তেওঁ অমুক হয়,মোৰ নাম তমুক হয় ইত্যাদি । ডিগ্ৰী পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে অহা বহু ছাত্ৰ- ছাত্ৰীয়ে লগত প্ৰয়োজনীয় প্ৰমাণ পত্ৰসমূহ ননাৰ কাৰণটো 'নাই অনা হৈছিল' বুলি অনায়াসে কয়। ইয়াৰ বাদেও অভ্যাসবশতঃ 'হেনেকে','কালিলৈ আহিলোগে'- আদি অনেক কথিতৰূপ আমি অসচেতন ভাবে কৈ আহিছো।

কথা হ'ল - এইসকল ছাত্ৰ-ছাত্ৰীক লৈয়েই আমাৰ যাত্ৰা। ইয়াৰ অন্তৰালত নিশ্চিতভাবে বহুত কাৰক থাকিব পাৰে। সকলো সামৰি লৈ আমাৰ পাঠদান আৰম্ভ কৰা হয়। 'অসমীয়া বিভাগৰ ছাত্ৰহে', 'অসমীয়া বিভাগত পঢ়ি ভৱিষ্যতে কি কৰিবা' বুলি এওঁলোকক অনেকে হতাশ কৰে। পাৰিলে এওঁলোকক সাধুবাদহে জনাব লাগে। মাতৃভাষাটো শুদ্ধৰূপত অনুভৱ কৰা, বুজা, চিন্তা-চৰ্চা কৰা,কৰ্ষণ কৰা, উপস্থাপন কৰা, সংৰক্ষণ কৰাটো সকলোৰে কৰ্তব্য, দায়িত্ব তথা প্ৰাথমিক অধিকাৰ। AI ৰ দৰে কৃত্ৰিম বুদ্ধিমত্তা মানৱীয় বুদ্ধি তথা বোধশক্তি, সৃজনীমূলক দক্ষতা আদিৰ ওচৰত বৰ্তমান এক প্ৰত্যাহ্বানস্বৰূপ হৈ পৰিছে । আমি সময়ৰ লগত আগবাঢ়ি যাবলৈ হ'লে মাতৃভাষাক মৰ্যাদা দিব লাগিবই। কথিত আৰু লিখিত দুয়োটা পদ্ধতিতে আমি সচেতন হ'ব লাগিব।

ড° ভূপেন হাজৰিকাৰ কথাৰে- 'মোৰ আইক ভাল পাওঁ বুলিলে আনৰ আইক জানো ঘিণ কৰাটো বুজাব ?' আন আন ভাষাৰ সাহিত্য অধ্যয়ন কৰি তাৰ পৰা মৌ -ৰস গোটাই নিজক চহকী কৰাৰ এয়াই উপযুক্ত সময়। কেৱল অসমীয়া ভাষা বুলি নহয়, সকলোৰে একেলগে আগুৱাই যাব লাগিব।

'আধাৰ' যদিও অসমীয়া বিভাগৰ বাৰ্ষিক পত্ৰিকা, প্ৰতিবছৰৰ দৰে প্ৰকাশনৰ সম্পূৰ্ণ দায়িত্ব মহাবিদ্যালয়ে এইবাৰো গ্ৰহণ কৰিছে। সন্মানীয় অধ্যক্ষ ড. বিমল চন্দ্ৰ গগৈ ছাৰৰ এই মহানুভৱতাক অসমীয়া বিভাগৰ তৰফৰ পৰা আমি কৰযোৰে ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

আশাকৰোঁ কনমানি 'আধাৰ'ক আকোৱালি লৈ সকলোৱে স্নেহেৰে ডাঙৰ কৰিব। 'আধাৰ' কেৱল অসমীয়া বিভাগৰেই নহয়,সমগ্ৰ মহাবিদ্যালয়খনৰ দাপোন স্বৰূপ।

ধন্যবাদেৰে-

সম্পাদনা কক্ষৰ পৰা -

ড° ৰীতা দত্ত
মুৰব্বী, অসমীয়া বিভাগ
সোণাৰি মহাবিদ্যালয়
সোণাৰি, চৰাইদেউ (অসম)
১১-৭-২০২৬ বৰ্ষ

# সূচীপত্ৰ


ক্ৰমিক নং

➥ অধ্যক্ষৰ মেজৰ পৰা - ড° বিমল চন্দ্ৰ গগৈ

➥ বিভাগীয় প্ৰধানৰ মেজৰ পৰা - ড° ৰীতা দত্ত

**প্ৰৱন্ধ (ছাত্ৰ-ছাত্ৰীৰ লেখা) ঃ**

➥ সোণালী বননিত আমাৰ কাহিনী (ক্ষেত্ৰ অধ্যয়ন ভিত্তিক লেখা) ১
ষষ্ঠ সান্মাসিক, অসমীয়া বিভাগ

➥ অসমৰ সংস্কৃতি - পলী ফুকন, চতুৰ্থ ষান্মাসিক ৮

➥ বিহু ঃ এক ঐতিহাসিক বিশ্লেষণ - এনিশা বৰা, দ্বিতীয় ষান্মাসিক ৯

➥ লোক জীৱন আৰু বিহু - পূজা বৰা, দ্বিতীয় ষান্মাসিক ১০

➥ প্ৰযুক্তিৰ ইতিবাচক আৰু নেতিবাচক দিশ - ১১
বেবী ৰাজকোঁৱৰ, চতুৰ্থ ষান্মাসিক

➥ বন্ধুত্ব - দীক্ষিতা শ্যাম, চতুৰ্থ ষান্মাসিক ১২

**গল্প ঃ**

➥ সংগ্ৰাম - শিখামণি হাতীমূৰীয়া, চতুৰ্থ ষান্মাসিক ১৩

➥ অপৰিসীম ত্যাগ - নয়নমণি গগৈ, চতুৰ্থ ষান্মাসিক ১৪

➥ মৌমনৰ কথা - ময়ূৰী দাস, চতুৰ্থ ষান্মাসিক ১৬

**কবিতা ঃ**

➥ মই আকাশ হ'ব বিচাৰোঁ - নিতাশ্ৰী গগৈ, চতুৰ্থ ষান্মাসিক ১৭

➥ সৰু কালৰ কথা - ময়ূৰী দাস, চতুৰ্থ ষান্মাসিক ১৮

**অনুভৱ ঃ**


➥ ছাত্ৰাৱাসৰ মধুৰ স্মৃতি - প্ৰশান্ত খামন, ষষ্ঠ ষান্মাসিক ১৯

➥ অসমীয়া বিভাগত মোৰ অভিজ্ঞতা - মনিকা গগৈ, ষষ্ঠ ষান্মাসিক ২০


**শিক্ষকৰ লেখা ঃ**


➥ অসমত ব্যাকৰণ চৰ্চা ঃ এটি আলোকপাত - পদ্ম কুমাৰী গগৈ ২১

➥ কৃত্ৰিম বুদ্ধিমত্তা ঃ একবিংশ শতিকাৰ সম্ভাৱনা নে সংশয় - ৰেখামণি গগৈ ২৯

➥ অসমীয়া সংস্কৃতিত জাতীয় সাজপাৰ - কেশৰী ভূঞা ৩১


**প্ৰকল্প (অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা কৃত কাৰ্য্যসমূহ) ঃ**


➥ ষষ্ঠ ষান্মাসিকৰ প্ৰকল্পৰ বিষয়বস্তু ৩৩

➥ পঞ্চম ষান্মাসিকৰ প্ৰকল্পৰ বিষয়বস্তু ৩৫

➥ মহাবিদ্যালয় সপ্তাহত প্ৰাপ্ত দলীয় বঁটাসমূহ ৩৮


**দিনলিপি (অসমীয়া বিভাগৰ দ্বাৰা সম্পাদিত বাৰ্ষিক কাৰ্য্যৰ তালিকা) ঃ**


➥ ২০২৩-২০২৪ বৰ্ষ ৩৯

➥ ২০২৪ - ২০২৫ বৰ্ষ ৪০

➥ ২০২৫-২০২৬ বৰ্ষৰ আগষ্টলৈকে ৪১

# সোণালী বননিত আমাৰ কাহিনী
# (ক্ষেত্ৰ অধ্যয়ন ভিত্তিক লেখা)

**অসমীয়া বিভাগ**
**ষষ্ঠ ষান্মাসিক**

মুগা অসমীয়া সংস্কৃতিৰ এক অপৰিহাৰ্য অংগ। অসমৰ মুগা পৃথিৱী বিখ্যাত। আমাৰ ভাগ্য যে এই মুগা সূতা কেৱল অসমতহে পোৱা যায়, কাৰণ অসমৰ বাৰেৰহনীয়া জলবায়ুতহে ইয়াৰ উৎপাদন সম্ভৱ। ই আমাৰ বাবে গৌৰৱৰ বিষয়। সেয়ে সোণালী সূতাৰ দেশ বুলি অসম প্ৰসিদ্ধ। বহু মূল্যবান আৰু সোণবৰণীয়া এই মুগা সূতাৰ পৰা নানা ধৰণৰ মুগাৰ সাজপাৰ তৈয়াৰ কৰা হয়। "মূগা সাজ" অসমৰ জাতীয় পোছাক। কিন্তু বৰ্তমানে সময়ৰ সোঁতত অসম গৌৰৱ এই মুগা সূতাৰ উৎপাদন অৰ্থাৎ অসমৰ কুটিৰ শিল্পৰ মূগা শিল্প বিধ লোপ পাবলৈ ধৰিছে। বৰ্তমানে অসমৰ কেইখনমান ঠাইয়েহে ইয়াক ধৰি ৰাখিবলৈ সমৰ্থ হৈছে।

অসম গৌৰৱ অৰ্থাৎ অসমৰ কুটিৰ শিল্পৰ অন্যতম খ্যাত মুগা শিল্পই বহু আগৰে পৰা অসমত এক অস্তিত্ব বজাই ৰখাত সহায় কৰিছে। অসমীয়া জাতীয় উৎসৱ বিহুৰ লগত এই মুগা শিল্প ওতঃপ্ৰোতভাৱে জড়িত, মুগা অবিহনে অসমীয়া সংস্কৃতি অসম্পূৰ্ণ। সেয়েহে অসমৰ জাতীয় সাজ হিচাপে মুগা পৰিচিত। অসমৰ মুগা শিল্প ২০০৭ চনত GI সন্মান লাভ কৰে ই আমাৰ বাবে গৌৰৱৰ বিষয়। কিন্তু অসমৰ যুগ যুগান্তৰৰ অৰ্থাৎ আওপুৰণি এই শিল্পই নানা কাৰণ নানা সমস্যাৰ ফলত লুপ্ত হ'ব ধৰিছে, আৰু এনেদৰে ই একেবাৰে দুৰ্লভ পৰ্যায়লৈ গৈ আছে। সেয়েহে এই মুগা শিল্পৰ সংৰক্ষণ আৰু বিকাশৰ মানসেৰে, তাৰ সমস্যাৰ ওপৰত অধ্যয়ন সূত্ৰে সোনাৰি মহাবিদ্যালয়ৰ আৰু AMTORN প্ৰগ্ৰেমৰ জৰিয়তে ১১ জনীয়া এটা দ'লে অধ্যয়ন আৰু জৰীপ চলাওঁ। জৰীপৰ ঠাই হিচাপে আমি ঐতিহাসিক চৰাইদেউ জিলাৰ সাপেখাতীৰ লখিমীপাম গাঁওত অৱস্থিত "সাপেখাতী চৰকাৰী মুগা চোমনী" খন বাছি লওঁ। আৰু সেই লাখিমীপাম গাঁৰৰ বহু সময়ৰ পৰা মুগা শিল্প বা মুগা উৎপাদনৰ লগত জড়িত জনসাধাৰণৰ সৈতে মিলিত হৈ ১১ জুলাই ২০২৫ ৰ পৰা অধ্যয়নত নামি পৰোঁ।

আহাৰ মাহৰ ৰ'দালী বেলিটোৰ দৰেই উজ্জ্বল আশা আৰু মনেৰে অসম গৌৰৱ মুগা শিল্পটি জীয়াই ৰখাৰ কিঞ্চিত চেষ্টা কৰাৰ মানসেৰে ১১ জনীয়া দলটিয়ে সাপেখাতীৰ চৰকাৰী মুগা চোমনীখন আৰু চোমনীখনি অৱস্থিত লক্ষিমীপাম গাঁওত

পদাৰ্পন কৰোহি। আমাৰ আশা এই মুগা চোমনীখন সংৰক্ষণ কৰি ৰাখিবলৈ জনসাধাৰণৰ সৈতে মিলি এক প্ৰয়াস কৰা। প্ৰথমটো দিন হিচাপে আমি চোমনীখনত উপস্থিত হৈ ভালদৰে নিৰীক্ষণ কৰো আৰু গাওঁপ্ৰধানক প্ৰথমে কথাষাৰ উপস্থাপন কৰো আৰু অনুমতি প্ৰদানৰ বাবে আৱেদন জনাওঁ। তেওঁ আমাৰ পদক্ষেপ শুনি ভালপোৱা প্ৰকাশ কৰে আৰু ইয়াৰ পিছত চৰাইদেউ জিলা ৰেচম অধীক্ষকৰ কাৰ্যালয়ত অনুমতিৰ বাবে আৱেদন জনাওঁ, প্ৰথম অৱস্থাত এই অনুমতি সহজে পোৱা নগৈছিল। পাছত তেওঁলোকে বুজিব পাৰি এই অনুমতি আমাক প্ৰদান কৰে।

মহাবিদ্যালয়ত প্ৰথম দিনাৰ তথ্যসমূহ জনাই পাছদিনা অৰ্থাৎ ১৩/০৭/২০২৫ তাৰিখৰ পৰা আমি অধ্যয়নত নামি পৰো। পুৱাৰ সূৰ্যটো ওলাই অহাৰ দৰে আমিও ওলাই যাওঁ লখিমীপাম গাঁৱলৈ, হাতত কাপ কাকত, মুখত প্ৰশ্ন আৰু চকুত আশা লৈ। সপোন প্ৰত্যেকৰে একেটাই আমি কিবা প্ৰকাৰে এই চোমনীখনক পুনৰ সংৰক্ষণ আৰু বিকাশৰ হকে কিবা এটা কৰিব লাগিব। সেই মানসেৰে আমি গাঁওবাসীৰ ঘৰলৈ যাওঁ, আমাৰ উদ্দেশ্যৰ কাৰণ জানি তেঁওলোকে ভাল পালে, তেঁওলোকৰ চকুত আশাৰ ৰেঙণিৰ সঞ্চাৰ হোৱা যেন দেখা গ'ল। তেওঁলোকে আমাক এটা এটাকে তেওঁলোকৰ সমস্যাসমূহ কৈছিল। তেওঁলোকৰ বহুতেই বোপা ককাৰ দিনৰ পৰা এই চোমনীখন আৰু মুগা পালনৰ সৈতে জড়িত আছিল। কিন্তু তেওঁলোকে নানা কাৰণত এই মুগা পালন কাৰ্যৰ পৰা বৰ্তমানে দূৰ হৈ পৰিল, অৱশ্যে গাওঁৰ দুই এজনে বৰ্তমানেও এই কাৰ্যৰ সৈতে জড়িত। পালকসকলেও তেওঁলোকৰ কিছুমান সমস্যাৰ কথা আমাক অৱগত কৰে। তেওঁলোকে আমাক বিনা দ্বিধাই সমস্যাসমূহৰ কথা কোৱাত আমাৰো মনতো ভাল লাগিল। তেওঁলোকে বৰ্তমানে মুগা পালনৰ পৰা আতৰি অহা বা কি ধৰণৰ সমস্যাৰ ফলত বৰ্তমানে এই শিল্প বৰ্তাই ৰাখিব পৰা নাই সেই সমূহ উল্লেখ কৰা হ'ল-

১। উন্নত মানদণ্ডৰ পলু পাবলৈ নাই।

২। অনুকূল বাতাবৰণৰ ফলত পলুবোৰ মৰি যায়।

৩। বানপানীৰ সমস্যা।

৪। চোমনীখনত সংৰক্ষণৰ অভাৱ অৰ্থাৎ হাবি বননীৰে ভৰি পৰাৰ ফলত।

৫। স্থানীয় নিৰাপত্তাৰ অভাৱ।

৬। বান্দৰৰ উপদ্ৰৱ/বন্যজীৱৰ উপদ্ৰৱ।

৭। বাগানত প্ৰয়োগ কৰা কীটনাশক দ্ৰব্যৰ ফলত।

৮। গছ-গছনি কটাৰ ফলত।

৯। বৰ্তমানে মানুহৰ এই কাৰ্যৰ প্ৰতি অনিহাৰ ফলত।

তেওঁলোকে আমাক উপস্থাপন কৰা এই সমস্যাসমূহ কেৱল এখন চোমনীৰে নহয়, অসমৰ প্ৰত্যেকখন চোমনীৰ, প্ৰত্যেকজন মুগা পালকৰ। এই সকলোবোৰ সমস্যাৰ কথা আমি দ'লটোৱে যেতিয়া আলোচনা কৰোঁ তেতিয়া আমি উপলব্ধি কৰোঁ এই সমস্যাবোৰৰ জগৰীয়া দেখোন আমি নিজেই। কাৰণ এই সকলোবোৰ আঁৰৰ মূলতেই হৈছে বৰ্তমানৰ অসমৰ অনুকূল পৰিৱেশ-পৰিস্থিতি। কেতিয়াবা উৎকট গৰম তৎক্ষণাতেই ধাৰসাৰ বৰষুণ আদি পৰিস্থিতিৰ ফলত পলুবোৰ মৃত্যু মুখত পৰে আৰু ইয়াৰো কীটনাশক দ্ৰব্যৰ প্ৰভাৱৰ ফলত উন্নত মানৰ পলুবোৰ নোপোৱা হৈ পৰিছে, যাৰ ফলত অসমৰ "মুগা শিল্প" আৰু "মুগা-পালন" ক্ৰমান্বয়ে হ্ৰাস পাইছে। অসমৰ অনকূল পৰিৱেশ পৰিস্থিতিৰ মূলতেই হৈছে পৰিৱেশ-প্ৰদূষণ, বনাঞ্চল ধ্বংস আদিৰ দৰে কাৰ্যকলাপবোৰ। যদিহে আমি পৰিৱেশ অনিষ্টকাৰী এই কাৰ্যৰ পৰা বিৰত হওঁ তেন্তে অসমৰ পৰিৱেশৰ লগতে মুগা শিল্পই পুনৰ জীয়াই উঠিব।

এই সমস্যাসমূহ লগত লৈ আমি ১৪/০৭/২০২৫ বৰ্ষত চৰাইদেউ জিলাৰ সোণাৰিত অৱস্থিত ৰেচম অধীক্ষকৰ কাৰ্য্যালয়লৈ যাওঁ। তেওঁলোকে অৱশ্যে আমাৰ বাবে এই সম্পৰ্কত এজন সমল ব্যক্তি প্ৰদান কৰি আমাক সহায় কৰে। চৰাইদেউ জিলাৰ ৰেচম পৰিদৰ্শক শ্ৰীযুত অনিল বৰুৱা ছাৰে সমল ব্যক্তি হিচাপে আৰু কাৰ্য্যালয়ৰ আন বিষয়া সকলে আমাক এই সম্পৰ্কীয় নানা তথ্য প্ৰদান কৰে আৰু আমাক জানিবলৈ দিয়ে। আমি দ'লটিয়ে গাওঁবাসী আৰু চোমনীখনৰ কৰ্তৃপক্ষৰ হকে মিলি এখন অন্তৰংগ বাৰ্তালাপ অৰ্থাৎ এখন সজাগতা সভা ৰখাৰ প্ৰস্তাৱ ৰাখোঁ। তেওঁলোকে এই প্ৰস্তাৱটি স্বীকাৰ কৰে।

আমি জৰীপ কৰি থকাৰ সময়ত লখিমীপাম গাওঁখনৰে এজন পূৰ্বৰ সফল মুগা পালকৰ সৈতে চিনাকী হও আৰু তেওঁলোকৰ ঘৰত মুগা সূতা কটা মেচিন, সংৰক্ষিত মুগা সূতা কাপোৰ আদি দেখিবলৈ পাই তেওঁৰ মূগা পালনৰ যাত্ৰা সম্পৰ্কে জানিব বিচৰাত তেওঁ আমাক তেওঁৰ কাহিনী ক'বলৈ আৰম্ভ কৰে।

তেওঁৰ নাম বিমল ফুকন। বয়স ৬০। লখিমীপাম গাওঁৰ নিবাসী। বিমল ফুকনৰ পৰিয়ালৰ সকলোৱে ভাতৃ-ভগ্নী পূৰ্বৰে পৰা মুগা পালনৰ লগত জড়িত আছিল। তেওঁ মুগা পালনৰ আৰম্ভণি কৰিছিল সেই তেতিয়াই যেতিয়া গাওঁৰ মেধী, বুঢ়া মেথাসকলে চোমনীখনত মুগা পালন কৰিছিল আৰু তেতিয়াই তেওঁলোকৰ মাকেও এটা মুগাত ১টকা কৈ দি ৩০০ টা মুগা আনি দিছিল। (অৱশ্যে বৰ্তমানে এটা লেটা বা মুগাৰ দাম ৫ ৬ টকা)। মুগা ফুটাৰ পাছত পলু বিলাক চোমনীখনৰে এজোপা গছত মেলিছিল, এদিন দুদিনকৈ সময় বাগৰে, তেওঁলোকে আটাইকেইটা আহি চোম গছৰ তলতে ৰৈ থাকেহি, বাকীবোৰ পালকতকৈ তেওঁলোকৰ আটাইতকৈ কম মুগা তথাপিও

আশাৰে বাট চাই থাকে, মুগা ওপৰলৈ উঠি যায় তেওঁলোকে নেদেখি চিন্তাত পৰে, আজলি মাকজনীয়েও দেখে মুগাবোৰ নবগায়হ্লু, চিন্তাত পৰে, গাওঁৰ বুঢ়াকেইজনে কয় ‘চিন্তা নকৰিবি পুহিতা মাক, মুগা আছে আছে। তলত এখন বগা চাদৰ পাৰি দেচোন লাইন পাতিব, তেতিয়াহে গম পাবি।’ এনেদৰে সেই মুগাকেইটাই যথা সময়ত পকি পখিলাহৈ লেটা বান্ধে। তেওঁলোকৰ মনবোৰেও উলাহত পখিলাজনীৰ দৰে নাচিব ধৰে। বৰ্তমানলৈকে মুগাপালনৰ কোনো প্ৰশিক্ষণ নোপোৱাকৈয়ে গাৱঁৰ বয়োজ্যেষ্ঠ সকলক দেখি দেখিয়ে শিকিছিল আৰু ক্ষুদ্ৰ প্ৰয়াসেৰে আৰম্ভণি কৰিছিল। এনেদৰে সময় বাগৰিল। বিমল ফুকনে এজন সফল মুগা পালক হিচাপে বহুবছৰ জুৰি মুগা পালন কৰে, তেওঁৰ সফলতা দেখি চৰকাৰে তেওঁক সহায় আগবঢ়ায় আৰু এটা ঘৰ সজি দিয়ে। তেওঁৰ ককায়েক ধনী ফুকনে মুগা পালনৰ লগতে চৰকাৰী চোমনীখনত চতুৰ্থবৰ্গৰ কৰ্মচাৰী হিচাপে নিযুক্তি লাভ কৰে। এই পৰিয়ালটিৰ আটাইতকৈ লেখত ল’বলগীয়া ব্যক্তি গৰাকী আছিল তেওঁলোকৰ বায়েক পুহিতা ফুকন। পুহিতা ফুকন গাওঁখনৰ এগৰাকী সফল মহিলা আৰু কৰ্ম নুপনতা থকা শিপিনী। তেওঁ সেই কালৰ স্বাৱলম্বী মহিলা আছিল যি সময়ত মহিলা সকলে ঘৰতে থাকি বন কৰি সময় অতিবাহিত কৰিছিল। কিন্তু তেওঁ চৰকাৰী ভাৱে লেটাৰ পৰা অত্যাধুনিক মেছিনেৰে সূতা উলিওৱাৰ প্ৰশিক্ষণ লবলৈ গুৱাহাটীলৈ যায়। তাৰপাছত গাৱঁলৈ আহি মুগা লেটাৰ পৰা মুগা সূতা নিৰ্মাণ কৰিবলৈ লয়। সূতা উলিওৱা মেচিনটো চৰকাৰে তেওঁলোকৰ গাওঁখনলৈ অৰ্থাৎ পুহিতা ফুকনক প্ৰদান কৰে, ফলত গাওঁখনৰ পালক সকলে কম সময়ত আৰু সহজতেই এই সূতা ঘৰতে নিৰ্মাণ কৰি মুগা কাপোৰ বয়। পুহিতা ফুকন এগৰকী সফল শিপিনী আছিল। তেওঁ ঘৰতে কটা মুগা সূতাৰে মুগা কাপোৰ বৈছিল আৰু বিক্ৰী কৰাৰ উপৰিও নানা ঠাইত প্ৰদৰ্শন কৰিবলৈ যায়। কিন্তু তেওঁৰ অকাল মৃত্যুৰ ফলত গাওঁখনে এগৰাকী স্বাৱলম্বী মহিলা হেৰুৱাই আৰু সেই সূতা কটা মেচিন চলোৱা দ্বিতীয়জন ব্যক্তি বৰ্তমানেও নাই। বৰঞ্চ আছেগৈ পুহিতা ফুকনৰ স্মৃতি আৰু শিল্পনিপুনতা প্ৰকাশ পোৱা মুগাৰ সাজ কেইযোৰ, মুগাৰ সূতা কেইকোছামান আৰু সেই পুৰণি মেচিন বা যন্ত্ৰ কেইটা।

গাওঁখনৰ প্ৰত্যেকটো পৰিয়ালৰে মুগা পালনৰ লগত একো একোটা ইতিহাস আছে কিন্তু বৰ্তমান তেওঁলোকে পুনৰ যদি আগৰ দৰে কৰে তেন্তে সাপেখাতী ঠাইখনো ঢকুৱাখানা, শুৱালকুছিৰ দৰে নাম হ’ব এয়া নিশ্চিত, মাথো প্ৰয়োজন মানৰ একতা আৰু অলপ চৰকাৰী গুৰুত্বৰ। এনেদৰে এদিন এদিনকৈ আমাৰ জৰীপ তথা অধ্যয়নৰ দিনৰ পাছত আটাইতকৈ গুৰুত্বপূৰ্ণ দিনটো আহি পৰে অৰ্থাৎ গাওঁখনৰ ৰাইজৰ আৰু চোমনীখনৰ চৰকাৰী পকৰ্তৃপক্ষৰ অন্তৰংগ বাৰ্তালাপ তথা এখনি সজাগতা সভাৰ।

সভাখনৰ মূল বিষয়বস্তু আছিল “মুগা চোমনীৰ সংৰক্ষণ আৰু বিকাশত জনসাধাৰণৰ ভূমিকা”। আচলতে আমাৰ অধ্যয়নৰো মূল বিষয় এইটোয়েই আছিল। কিন্তু অধ্যয়ন কৰি থাকোতে কেতিয়া এই মুগা শিল্প বিধৰ লগত জড়িত হৈ পৰিলো গমেই নাপালোঁ।

সেইদিনা আছিল ১৭ জুলাই। যোৱা কেইদিনমানৰ পৰা চলি থকা অধ্যয়নৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিনটোলৈ বুলি আমি দলটিয়ে বহু সোনকালেই গাওঁখনলৈ আহো। আগদিনাই চাফা কৰি থৈ যোৱা কাৰ্য্যালয়টোত পুনৰ অলপ ফেনাইল চটিয়াই চাফা কৰি ধূপ জ্বলালো আশা এই দিনটো শুভ হওক। চোমনীখনৰ কাৰ্য্যালয়ত চকীৰ যোগান সীমিত আছিল সেয়ে তিনি খন মান চকী ওচৰৰে দোকানী এজনৰ পৰা আনো। আন সকলোলৈ তিৰ্পাল পাৰি দিও। উপায়টো নাই আমি বাধ্য। শিক্ষাৰ্থী হিচাপে আমাৰ হাতত যোগানৰ ক্ষমতা কম আছিল তথাপিও পানী গিলাচ আদিৰ যোগান আমিয়ে ধৰো। আমাৰ সকলোৰে বাবে ই এক নতুন অভিজ্ঞতা আছিল। সকলোৰে প্ৰথমবাৰৰ বাবে এনেকোৱা এটা অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ হাতত লৈছিলো। যথাসময়ত সভাৰ বাবে নিৰ্ধাৰিত সময় হাতত আহি পৰিছিল কিন্তু তেতিয়ালৈকে কোনোৱেই আহি উপস্থিত হোৱা নাছিল। ভয় লাগিব ধৰিলে। উগুল থুগুল মনেৰে ভাবিলো আমি হাতে লিখা নিমন্ত্ৰণি পত্ৰহে দিছিলোঁ কিজানিবা বেয়া পালে, নে মানুহ বিলাকে মন কৰা নাই আহিব, কোনো নাহিব নেকি ? কিন্তু ঠিক তেনেতে এগৰাকী ৮০ বছৰীয়া আইতা আহি উপস্থিত হয়। তেঁওৰ নাম বীণা বৰুৱা। তেওঁ পূৰ্বৰ এগৰাকী সক্ৰিয় মুগা পালক, তেওঁ আহিয়ে গাঁওৰ কাকোকে নেদেখি বাকী সকললৈও ফোন কৰি কয় “অই আহ আকৌ তহঁতি, তহঁতি আহিলেহে মানুহ হব, মিটিং খন হব”। আইতাৰ কাণ্ড দেখি আমি সকলো আচৰিত, এই সময়তো ইমান সক্ৰিয় তেওঁ, আইতা কম নহয়। যথাসময়ত এজন এজনকৈ মানুহ আহি থাকিল। সকলোকে ধৰি মুঠ ৩৩ জন মান হ’লগৈ। যিহেতু খেতিৰ সময় সেয়ে প্ৰায় ভাগ গাঁওৰ লোকেই খেতিত ব্যস্ত তথাপিও যে আহিল সেই ভাবিয়ে ভাল লাগে। যথাসময়ত সভা খনলৈ সেই মুগা চোমনীৰ লগত জড়িত চৰকাৰী অভিজ্ঞ ব্যক্তি সকলো আহি উপস্থিত হয় আৰু সভাখনো আৰম্ভ হয়। দলটোৰ এগৰাকীয়ে সভা খনৰ আঁত ধৰে। মানুহবিলাকেও এজন এজনকৈ তেওঁলোকৰ পূৰ্বৰ অভিজ্ঞতাৰে তাত থকা সমস্যা সমূহৰ বিষয়ে অৱগত কৰে। তেওঁ লোকৰ সমস্যা সমূহৰ কথা শুনি সভাত উপস্থিত থকা চৰকাৰী কৰ্তৃপক্ষই সমাধানৰ ওপৰত মন্তব্য দাঙি ধৰে এনেধৰণৰে -

১) বানপানী সমস্যাৰ বাবে নলা খন্দাৰ কাম হাতত লব।

২) নতুনকৈ চোম গছ ৰোপণ আৰু হাবি বননি পৰিষ্কাৰ কৰাৰ ক্ষেত্ৰত অক্টোবৰ মাহৰ পৰা কাম হাতত লব।

৩) বান্দৰৰ লগতে মুগা পলুৰ অনিষ্টকাৰী জীৱ, পোক-পতংগ আদি চাবৰ বাবে আৰু চোমনী খন চোৱাচিতা কৰিবৰ বাবে কৰ্মচাৰী নিযুক্তি দিয়াৰ কথা উল্লেখ কৰে।

৪) বেয়া হৈ যোৱা ফেন্সিং বোৰৰ ঠাইত নতুনকৈ ফেন্সিং দিয়াৰ ব্যৱস্থা হাতত লব বুলি মন্তব্য দিয়ে।

৫) পুখুৰী খান্দি তাত মীন পালনৰ যোগেদি মৰি যোৱা পলুবোৰ মাছক খাবলৈ দিয়াৰ ব্যৱস্থা কৰি সেই পলু বোৰৰ বিকল্পৰ ব্যবস্থা হাতত লব বুলি সকলোৰে আগত মন্তব্য দিয়ে।

ইয়াৰ উপৰি চৰকাৰী কৰ্তৃপক্ষৰ উপৰিও গাঁওখনৰ লোকসকলেও ইয়াৰ প্ৰতি দায়বদ্ধ হৈ চোমনীখন ৰক্ষা কৰি লাগিব। আচলতে আমি সভাখনৰ পাছত বুজি পালো যে সকলোবোৰ লোকে মিলি যেতিয়া একেলগে সমস্যাৰ হকে যুঁজিবলৈ আৰম্ভ কৰিব তেতিয়া তাৰ সমাধান নিশ্চয়কৈ ওলাব। আমি অনুভৱ কৰিলোঁ যে চৰকাৰী কৰ্তৃপক্ষৰ আৰু গাঁওবাসীৰ মাজত একোখনি অন্তৰংগ আলাপৰ যথেষ্ঠ প্ৰয়োজন আছিল। আৰু এই আলাপৰ যোগেদি যথেষ্ঠখিনি সমস্যাৰ সমাধান হ'ল। সভাখনিৰ শেষত আমি সকলোৰে চোম গছৰ পুলি ৰোপণ কৰিলোঁ যিহেতুকে ৰাষ্টা নিৰ্মাণৰ বা গছ পুলি কটাৰ পাছত আৰু নতুনকৈ গছ ৰোপণ কৰা নাছিল ইয়াৰ আৰম্ভণিও আমি কৰিলোঁ। সভাৰ শেষত সকলোৰে মুখবোৰ দেখিলোঁ উজ্জ্বলতাৰে ভৰি আছে, মনত আশাৰ ৰেঙণি কিঞ্চিৎ হ'লেও আছিল। সকলোৰে আশা থকা আমাৰ চোমনিখন আকৌ আগৰ দৰে সজীৱ হৈ উঠিব।

আমিও পাছদিনাখন সহায়ৰ বাবে এখনি আবেদন লৈ ঠাইখনৰ ব্লক উন্নয়ন কেন্দ্ৰত উপস্থিত হওঁ। ব্লক উন্নয়ন বিষয়াই তেওঁ পক্ষত থকা সময়স্যাবিলাক সমধান কৰি দিয়াৰ কথা কয়। ইয়াৰোপৰি আমি কাষতে থকা চাহ বাগিচাখনলৈ গৈ ওচৰৰে চাহবাগিছা খনৰ বিষয়াৰ লগত কথা পাতো যে মুগা পালনৰ সময়ছোৱাত কীটনাশক দ্ৰব্য ব্যৱহাৰ কৰে নেকি তাৰ বিষয়ে জানিবলৈ যাওঁ। তেওঁ জানিব দিয়ে যে মুগা পালনৰ সময়ছোৱাত চোমনী খনৰ ওচৰৰ গছবোৰত কীটনাশক দ্ৰব্য ব্যৱহাৰ নকৰে। আমাৰ ভাৱ হ'ল আমি এই ক্ষেত্ৰত সফল হ'লো। ১০০ শতাংশ সফল ন'হলেও ৯০ শতাংশই যে সফল হৈছো সেয়া আমি বুজিব পাৰিছো। আমাৰ সামৰ্থ অনুযায়ী যিমান খিনি কৰিব পৰিছো আমি সকলো কৰি গৈছো গাঁওৰ সকলো লোকৰ সহায় আৰু সহযোগত আমি ইমান খিনি কৰিবলৈ সক্ষম হ'লো। ঘৰলৈ উভতাৰ সময়ত সেই আইতা গৰাকীয়ে ক'লে "মোৰ ঘৰ সৌৱাত, তহঁতি সোমাই যাবিচোন এপাক"। এনেকৈ কোৱাত আমাৰো মনটো ভাল লাগিল। আমিও তেঁওৰ ঘৰত এপাক সোমালো আৰু গাওঁ খনৰ পৰা কাম শেষ কৰি ওলাই অহাৰ সময়ত গাঁওৰ কেইজনমান লোকে

কৈছিল “তোমালোক মাজে সময়ে আহি থাকিবা আকৌ”। তেতিয়া আমি কলো যে “আমিনো বাৰু কিয় নাহিম, আহিম, যেতিয়ালৈকে এই চোমনী খন পুনৰ সজীৱ হৈ নুঠে তেতিয়ালৈকে আমি আহিয়ে থাকিম”।

এয়াই আছিল লখিমীপাম গাঁওৰ সোণালী বননিত আমাৰ কাহিনী যি সদায় সজীৱ হৈ ৰ'ব। এইয়া কেৱল এখন চোমনীৰ হে কাহিনী আছিল অসমত এতিয়া আৰু বা কিমান চোমনী এনেদৰে সংৰক্ষণৰ বাবে ৰৈ আছে। যদিহে আমি পৰিৱেশজনিত সমস্যা সমূহ হ্ৰাস কৰিব পাৰো তেন্তে অসমত আগৰ দৰে পুনৰ মুগা পালন সম্ভৱ হৈ উঠিব। আমাৰ অসম চৰকাৰলৈ অনুৰোধ যদিহে তেঁওলোকে অসমৰ আন বিভাগ বোৰৰ দৰে অসমৰ কুটীৰশিল্প আৰু ৰেচম শিল্প বিশেষকৈ মুগা শিল্পত গুৰুত্ব প্ৰদান কৰে তেন্তে অসমৰ অৰ্থনীতিলৈ আৰু সমাজ খনলৈ এটা বৃহৎ অৱদান আহি পৰিব। অসমৰ মুগাই পুনৰ বিশ্ব দৰবাৰত প্ৰতিষ্ঠা পাবলৈ সক্ষম হ'ব।

<u>জমাৰ্কতা ঃ</u>

ধৰিত্ৰী বুঢ়াগোহাঁই
প্ৰল্লৱী মেছ
প্ৰশান্ত খামন
মনিকা গগৈ
প্ৰণিতা দুৱৰা — **ষষ্ঠ ষান্মাসিক**
জ্যোতিস্না গগৈ
সুস্মিতা গগৈ
প্ৰেৰণা কোঁৱৰ
ধনদ্বীপ চাংমাই
মুনমী গগৈ

❑❑❑❑❑

# অসমৰ সংস্কৃতি

শ্ৰীমতী পলী ফুকন
**চতুৰ্থ ষান্মাসিক**

অসম এখন বৈচিত্ৰ্যপূৰ্ণ সংস্কৃতিৰ মিলনভূমি। এই ৰাজ্যৰ মানুহবোৰ বিশেষকৈ আৰ্য্য, মংগোলীয়, অষ্ট্ৰিক আৰু ব্ৰহ্মদেশীয় থুলৰ লোক। সকলো জাতি, উপ-জাতি সন্মিলিত হৈ গঢ়ি উঠিছে বৃহত্তৰ অসমীয়া সংস্কৃতি। বিভিন্ন জনগোষ্ঠীৰ ভাষা, সাহিত্য, ধৰ্ম, সাজ-পোছাক, উৎসৱ-পাৰ্ৱণ, সংগীত, নৃত্য আৰু খাদ্যভাসে অসমৰ সংস্কৃতিক অনন্য ৰূপ দিছে। অসমত আহোম, বড়ো মিচিং, কাৰ্বি, ডিমাছা, তিৱা, ৰাভা, দেউৰী আদি বহু জাতি-জনগোষ্ঠীয়ে একেলগে বাস কৰে। এই বিভিন্ন জনগোষ্ঠীৰ নিজা নিজা পৰম্পৰা থাকিলেও সকলোৰে মাজত মিলন আৰু সৌহাৰ্দ্য দেখা যায়।

অসমৰ প্ৰধান উৎসৱ হৈছে ৰঙালী বিহু, ভোগালী বিহু আৰু কঙালী বিহু। বিহু অসমীয়া জাতিৰ জাতীয় উৎসৱ বুলিও গণ্য কৰা হয়। ৰঙালী বিহু বসন্ত ঋতুত পালন কৰা হয় আৰু ই আনন্দ আৰু নতুন জীৱনৰ প্ৰতীক। এই সময়ত যুৱক-যুৱতীয়ে বিহু নৃত্য আৰু বিহু গীত পৰিৱেশন কৰে। ভোগালী বিহু মূলতঃ শস্য উৎসৱ। এই উৎসৱত মানুহে ভোজ-ভাত, খেল-ধেমালী আৰু ধৰ্মীয় ভাৱধাৰাৰে পালন কৰে। অসমৰ সংগীত আৰু নৃত্য-সংস্কৃতি বিশ্ববিখ্যাত। বিহুগীত, টোকাৰী গীত, জিকিৰ-জাৰী আদি অসমীয়া লোক সংগীতৰ অমূল্য সম্পদ। বিহু নৃত্য অসমৰ আটাইতকৈ জনপ্ৰিয় লোকনৃত্য। ইয়াৰ উপৰিও সত্ৰীয়া নৃত্যও অসমৰ গৌৰৱ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে এ অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ বিকাশত অপূৰ্ব অৱদান আগবঢ়াইছিল। শংকৰ দেৱৰ বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ লগতে ভাওনা, বৰগীত আৰু অংকীয়া নাটৰ সৃষ্টি কৰিছিল। আজিও অসমৰ সত্ৰসমূহে এই সংস্কৃতি সংৰক্ষণ কৰি আহিছে।

অসমৰ পৰম্পৰাগত সাজ পোছাক অত্যন্ত আকৰ্ষণীয়, মহিলাসকলৰ মেখেলা-চাদৰ আৰু পুৰুষ সকলৰ ধুতি-গামোচা অসমৰ পৰিচয় বহন কৰে। গামোচা অসমীয়া সংস্কৃতিৰ গৌৰৱৰ প্ৰতীক আৰু ই সন্মানৰ চিহ্ন হিচাপে ব্যৱহাৰ কৰা হয়। অসমীয়া খাদ্য সংস্কৃতিও বিশেষ বৈশিষ্ট্যপূৰ্ণ। চাউল, মাছ, খাৰ, টেঙা, পিঠা-পনা, লাডু আদি অসমীয়া খাদ্যৰ অবিচ্ছেদ্য অংশ। অসমৰ চাহ বিশ্ববিখ্যাত আৰু ই অসমৰ অৰ্থনীতি আৰু সংস্কৃতিত বিশেষ স্থান অধিকাৰ কৰিছে।

অসমৰ সংস্কৃতিয়ে শান্তি, সম্প্ৰীতি আৰু ঐক্যৰ বাণী বহন কৰে। আধুনিকতাৰ প্ৰভাৱত বহু পৰম্পৰা হেৰাই যাবলৈ ধৰিছে যদিও অসমীয়া জনগণ নিজৰ সংস্কৃতি সংৰক্ষণৰ বাবে সদায় সচেষ্ট। সেয়েহে আমি সকলোৱে অসমৰ সমৃদ্ধ সংস্কৃতিৰ মূল্য বুজি ইয়াক ৰক্ষা আৰু আগবঢ়াই নিয়া উচিত। ❑❑❑

# বিহু ঃ এক ঐতিহাসিক বিশ্লেষণ

শ্ৰীমতী এনিশা বৰা
**দ্বিতীয় যান্মাসিক**

অসমীয়া জাতিৰ জীৱন, সংস্কৃতি আৰু পৰম্পৰাৰ সৈতে বিহু ওতঃপ্ৰোতভাৱে জড়িত। বিহু কেৱল এটা উৎসৱ নহয়, ই অসমীয়া সমাজৰ ঐতিহাসিক সামাজিক আৰু সাংস্কৃতিক পৰিচয়ৰ প্ৰতীক, প্ৰাচীন কালৰ পৰাই অসমীয়া সমাজৰ মানুহৰ জীৱন প্ৰকৃতি কৃষিৰ ওপৰত নিৰ্ভৰশীল আছিল। সেই সময়তে ঋতুচক্ৰৰ লগত মিলাই বিহুৰ জন্ম হয়। ইতিহাস অনুসাৰে বিহুৰ উৎপত্তি আৰ্য-পূৰ্ব জনজাতীয় সংস্কৃতিৰ লগত জড়িত বুলি ধৰা হয়। কৃষিকাৰ্য আৰম্ভ, শস্য ৰোপন আৰু শস্য সংগ্ৰহৰ লগত জড়িত হৈ তিনিটা বিহু - ৰঙালী, কঙালী আৰু ভোগালী উদ্‌যাপন কৰা হয়। বিশেষকৈ ৰঙালী বিহু যৌৱন, আনন্দ আৰু নতুন জীৱনৰ ধাৰা বৰণ কৰে। আগতে গাঁওৰ মুকলি পথাৰ, নদীৰ পাৰ বা গছতলিত ল'ৰা-ছোৱালীয়ে একেলগে বিহু নাচ-গান কৰিছিল। সেই বিহুত আছিল স্বাভাৱিকতা, প্ৰকৃতিৰ সান্নিধ্য সমাাজিক মিলন। কিন্তু সময়ৰ লগে লগে সমাজ ব্যৱস্থা আৰু জীৱন ধাৰাত পৰিৱৰ্তন আহিল। নগৰীয় সংস্কৃতি, আধুনিক শিক্ষা আৰু যোগাযোগ ব্যৱস্থাৰ বিকাশৰ ফলত বিহুৰ ৰূপো সলনি হ'বলৈ ধৰিলে। গাঁওৰ মুকলি পথাৰৰ বিহু আজিৰ দিনত সংগঠিত মঞ্চত অনুষ্ঠিত হ'বলৈ ধৰিছে। সাংস্কৃতিক অনুষ্ঠান, প্ৰতিযোগিতা আৰু আধুনিক বাদ্যযন্ত্ৰই বিহুক নতুন ৰূপ দিছে।

তথাপিও বিহুৰ মূল আত্মা একেই আছে - আনন্দ, ঐক্য আৰু জাতিসত্তাৰ প্ৰকাশ। মুকলি পথাৰৰ সহজ-সৰল বিহুৰ পৰা আধুনিক মঞ্চলৈ এই যাত্ৰাই অসমীয়া সমাজৰ ঐতিহাসিক বিকাশ আৰু সাংস্কৃতিক অভিযোজনৰ প্ৰতিফলন দেখুৱায়। সেয়ে বিহুৰ অতীত আৰু বৰ্তমানৰ সংযোগ কৰা এক জীৱন্ত ঐতিহ্য এক প্ৰত্যাহবান।

❑❑❑

# লোক-জীৱন আৰু বিহু

শ্ৰীমতী পূজা বৰা
**দ্বিতীয় যান্মাসিক**

অসমৰ জাতীয় উৎসৱ হিচাপে বিহুৰ বিশেষ স্থান আছে। বিহু কেৱল এটা উৎসৱ নহয়, ই অসমীয়া লোকৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ। বছৰৰ তিনিটা সময়ত পালন কৰি অহা ৰঙালী বিহু, কাতি বিহু আৰু ভোগালী বিহু অসমৰ কৃষিভিত্তিক উৎসৱ যি সমাজ-সংস্কৃতি আৰু দৈনন্দিন জীৱনৰ সৈতে গভীৰভাৱে জড়িত হৈ আছে। বিহুৱে মানুহৰ মনত আনন্দ, ঐক্য আৰু নতুন আশাৰ সঞ্চাৰ কৰে।

বিহুৱে সমাজত একতা আৰু ভাতৃত্ববোধ গঢ়ি তোলে। বিহুৰ সময়ত মানুহে পৰস্পৰৰ ঘৰলৈ যায়, শুভেচ্ছা বিনিময় কৰে আৰু মিলন-মেলাৰ মাজেৰে সম্পৰ্ক অধিক মজবুত হয়।

বিহুৱে অসমৰ লোক সংস্কৃতি সংৰক্ষণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বিহু-নৃত্য, বিহু-গীত, ঢোল, পেঁপা, গগনা আদি বাদ্যই অসমীয়া সংংস্কৃতিৰ পৰিচয় বহন কৰে।

ইয়াৰ ওপৰিও বিহুৱে অৰ্থনৈতিক ক্ষেত্ৰতো প্ৰভাৱ পেলায়। বিহুৰ সময়ত বজাৰত কাপোৰ, গামোচা, খাদ্য সামগ্ৰী আদিৰ বিক্ৰী বৃদ্ধি পায়। খাদ্য আৰু বয়ন শিল্পৰ লগত জড়িত সকল লাভান্বিত হয়।

সামগ্ৰিকভাৱে ক'ব পাৰি যে বিহুৱে অসমৰ লোক জীৱনত আনন্দ, সম্প্ৰীতি, সংস্কৃতিৰ সংৰক্ষণ আৰু অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত এক বিশেষ ভূমিকা পালন কৰে। সেয়েহে বিহু অসমৰ মানুহৰ হৃদয়ৰ লগত গভীৰভাৱে জড়িত এক মহান উৎসৱ।

# প্ৰযুক্তিৰ ইতিবাচক আৰু নেতিবাচক দিশ

শ্ৰীমতী বেবী ৰাজকোঁৱৰ
**চতুৰ্থ ষান্মাসিক**

"প্ৰযুক্তিৰ যুগত বহু মানুহে ভিৰৰ মাজতো একাকীত্ব অনুভৱ কৰে।" বৰ্তমান সময়ত বিজ্ঞান আৰু প্ৰযুক্তিয়ে মানুহৰ জীৱন বহু সহজ কৰি তুলিছে। যদিও ইমান সুবিধাৰ মাজতো আজিৰ মানুহ আগৰ তুলনাত অধিক অকলশৰীয়া হৈ পৰিছে। বৰ্তমানৰ প্ৰযুক্তিৰ যুগত সামাজিক মাধ্যমৰ চৰ্চা বৃদ্ধি পালেও বহু মানুহে সঁচা মানসিক সম্পৰ্কৰ অভাৱত একাকীত্ব অনুভৱ কৰে।

ইন্টাৰনেট, মোবাইল ফোন আৰু সামাজিক মাধ্যমৰ সহায়ত পৃথিৱীৰ যিকোনো প্ৰান্তৰ মানুহৰ লগত মূহূৰ্ততে বন্ধু-বান্ধৱী হৈছে যদিও বাস্তৱ জীৱনত মানুহে নিঃসংগতা অনুভৱ কৰে। ইন্টাৰনেট, সামাজিক মাধ্যমত মানুহ ইমানেই ব্যস্ত হৈ পৰিছে যে বাস্তৱ সম্পৰ্কৰ মূল্য পাহৰি পেলাইছে। আগতে মানুহে সন্ধিয়া সময়ত পৰিয়ালৰ সকলো সদস্য একেলগে বহি সময় কটাইছিল। বন্ধু-বান্ধৱীৰ লগত কথা পাতি সুখ-দুখ ভাগ-বতৰা কৰিছিল। কিন্তু এতিয়া অধিকাংশ মানুহ নিজৰ নিজৰ মোবাইল ফোনত ব্যস্ত হৈ থাকে। একে ঘৰতে থাকিও এজন আনজনৰ লগত কথা পাতিবলৈ সময় নাপায়। বাহিৰত সংযোগ বৃদ্ধি পালেও মানুহৰ মনৰ দূৰত্ব ধীৰে ধীৰে বৃদ্ধি পাইছে। আজিৰ সময়ত মানুহে দিনটোৰ অধিকাংশ সময় মোবাইল আৰু ইন্টাৰনেটৰ মাজতেই অতিবাহিত কৰে। খোৱা, পঢ়া, ভ্ৰমণ কৰা, বন্ধু-বান্ধৱৰ লগত বহি থাকোঁতেও মানুহৰ মনটো যেন সদায় ফোনৰ পৰ্দাত আবদ্ধ হৈ থাকে। ফলত বাস্তৱ জীৱনৰ বহু সৰু-সৰু আনন্দ হেৰাই গৈছে। আজিৰ সময়ত সৰুৰ পৰাই ল'ৰা-ছোৱালীৰ হাতত ফোন তুলি দিয়ে। বিশেষকৈ সামাজিক মাধ্যমত মানুহে নিজৰ মূহূৰ্তবোৰহে অধিক দেখুৱায়। ইয়াক দেখি বহুতে নিজৰ জীৱনক আনৰ লগত তুলনা কৰিবলৈ আৰম্ভ কৰে। বাহিৰৰ পৰা সকলো ঠিক যেন লাগিওে বহু মানুহ নিঃশব্দ একাকীত্বৰ লগত যুঁজ দি থাকে।

বিজ্ঞানৰ অৱদান স্বৰূপে নিতে নৱ আৱিস্কৃত প্ৰযুক্তিৰ সময়ত মানুহ একাকীত্বত ভুগিছে যদিও বহুত ভালও হৈছে। প্ৰযুক্তিয়ে মানুহৰ জীৱন সহজ আৰু উন্নত কৰিছে। ইয়াৰ সহায়ত কম সময়ত মানুহে বহু কাম সম্পন্ন কৰিব পাৰে। শিক্ষা, চিকিৎসা, যোগাযোগ আৰু ব্যৱসায় আদি ক্ষেত্ৰত প্ৰযুক্তিয়ে বিশেষ উন্নতি আনিছে। কম সময়তে অধিক কাম সম্পন্ন হৈছে। ই মানুহৰ জীৱন সহজ, দ্ৰুত আৰু আৰামদায়ক কৰি তুলিছে। অনলাইন শিক্ষাৰ জৰিয়তে ঘৰতে সঠিক ব্যৱহাৰ কৰিব পৰাটো অতি প্ৰয়োজনীয়।

সেয়ে আমি সকলোৱে প্ৰযুক্তিৰ সহায় ল'ব লাগে কিন্তু বাস্তৱ জীৱনৰ সম্পৰ্কবোৰকো সমানেই গুৰুত্ব দিব লাগে। পৰিয়াল, বন্ধু-বান্ধৱ আৰু সমাজৰ লগত সময় অতিবাহিত কৰিলেহে জীৱনৰ প্ৰকৃত অৰ্থত সুন্দৰ হৈ উঠিব কিয়নো মৰম অনুভূতি আৰু বাস্তৱ সম্পৰ্ক কেতিয়াও প্ৰযুক্তিয়ে সলনি কৰিব। নোৱাৰে। ❑❑❑

# বন্ধুত্ব

শ্ৰীমতী দীক্ষিতা শ্যাম
**চতুৰ্থ ষান্মাসিক**

'বন্ধুত্ব' এটি অতি আপোন যেন লগা শব্দ। য'ত লুকাই থাকে অনাবিল মৰম স্নেহ। তেজ-মঙহৰ সম্পৰ্কৰ বাহিৰেও মানুহৰ মনৰ মধুৰ সম্পৰ্কৰ পৱিত্ৰ নামেই হ'ল বন্ধুত্ব। ই মানুহৰ মাজত গঢ়ি উঠা এক আৱেগিক বান্ধোন আৰু বন্ধু হ'ল এজন শুভাকাংক্ষী বক্তি, যিয়ে আমাক জীৱনৰ প্ৰতিটো মূহুৰ্ততে সংগ দিয়ে। পৃথিৱীত এনেকুৱা এজন মানুহ নোলাব, যিয়ে জীৱনত অলপ সময়ৰ বাবে হ'লেও বন্ধুতৰ প্ৰয়োজন অনুভৱ নকৰাকৈ থাকে, বন্ধুত্বই আমাৰ জীৱনত বহুলভাৱে প্ৰভাৱ পেলায়। বিদ্যালয়, কৰ্মস্থলী, মহাবিদ্যালয় তথা জীৱনৰ বাটত এজন সৎ বন্ধুৰ প্ৰয়োজন কোনেও নুই কৰিব নোৱাৰে। পিতৃ-মাতৃ-ভগ্নীক ক'ব নোৱাৰা বহু কথা এজন প্ৰিয় আৰু ভাল বন্ধুক ক'ব পৰা যায়। বন্ধুত্বই বয়সৰ বিচাৰ নকৰে। ই নামানে কোনো পৰিসীমা। বন্ধুত্বৰ ভেটি গঢ়ি উঠে বিশ্বাসৰ ওপৰত। মূলতঃ নিস্বাৰ্থভাৱে সহযোগী হোৱাই বন্ধুত্বৰ ধৰ্ম। বন্ধুত্ব গঢ়া যিমান সহজ তাক পালন কৰাতো তাতোকৈও কঠিন। বন্ধুত্বৰ মাজত বিশ্বাস নাথাকিলে সেয়া হৈ পৰে হিংসা। যিজনে জীৱনত বিশ্বাসী বন্ধুৰ সংগ পাইছে তেওঁ সঁচাই বহুত সৌভাগ্যৱান। এই ক্ষেত্ৰত ছক্ৰেটিছে কৈছিল, "বন্ধুত্বৰ পিনে লাহে লাহে আগুৱাই যোৱা, এবাৰ বন্ধুত্ব গঢ়িলে তাক অবিচল, দৃঢ় আৰু স্থায়ী হৈ ৰ'ব।"

বন্ধুত্বৰ অবিহনে জীৱনটো উকা আৰু আধৰুৱা যেন অনুভৱ হয়। কিন্তু সময় আৰু পৰিৱেশৰ লগে লগে বন্ধুত্বৰ পবিত্ৰ সম্পৰ্কত স্থান পালে স্বাৰ্থই। দুজন মানুহৰ পৰা দুখন ঘৰ , দুখন ৰাজ্য, তথা দুখন দেশ আদিৰ মাজতো বন্ধুত্বপূৰ্ণ সম্পৰ্কই গঢ় লয়। এই সকলোবোৰৰ মাজত অৰ্ন্তনিহিত হৈ থাকে স্বাৰ্থ। বৰ্তমান সময়ত বন্ধুত্বৰ মাজত নিঃস্বাৰ্থ মনোভাৱ বিচৰাটো কষ্টকৰ তথা দুৰ্লভ। স্বাৰ্থত আঘাত পালেই বন্ধুত্বৰ সম্পৰ্কিত ফাট মেলে। তথাপিও মানুহে বন্ধুত্বৰ দৰে এই গভীৰ সম্পৰ্ক এৰাই চলিব নোৱাৰে।

❑❑❑

"গল্প"

# সংগ্ৰাম

শ্ৰীমতী শিখামণি হাতীমূৰীয়া
**চতুৰ্থ ষান্মাসিক**

নদীৰ কাষৰ এখন সৰু গাঁৱত অৰ্ণৱ নামৰ এজন ল'ৰা বাস কৰিছিল। দেউতাকে দিন হাজিৰা কৰে। মাকেও আনৰ ঘৰত কাম কৰিছিল। দৰিদ্ৰতা যেন তেওঁলোকৰ ঘৰৰ সঙ্গী আছিল। বহুদিন ভাতৰ পাতত কেৱল নিমখ আৰু পিঁয়াজেই আছিল। তথাপিও মাকে সদায় কয় - "দুখ স্থায়ী নহয় বাপা, মানুহৰ সাহসেই সকলোতকৈ ডাঙৰ।"

অৰ্ণৱ সৰুৰে পৰাই বহুত মেধাৱী আছিল। কিন্তু দৰিদ্ৰতাৰ বাবে বহুতে তেওঁক সপোন দেখা বন্ধ কৰিবলৈ কৈছিল। স্কুলৰ বন্ধু-বান্ধৱে নতুন কাপোৰ পিন্ধি আহিলে তেওঁ নিঃশব্দ নিজৰ পুৰণি কাপোৰ ঠিক কৰি লয়। বুকুৰ ভিতৰত কষ্ট হৈছিল। কিন্তু তেওঁ কেতিয়াও কাৰো আগত চকুপানী দেখুওৱা নাছিল। ৰাতি চাকিৰ পোহৰত বহি তেওঁ পঢ়া-শুনা কৰিছিল। বৰষুণৰ টোপালবোৰ অৰ্ণৱহঁতৰ ঘৰৰ ভিতৰতো সোমাইছিল। বৰষুণৰ টপ্ টপ্ শব্দবোৰৰ মাজতেই তেওঁ নিজৰ ভৱিষ্যতৰ সপোন গঢ়িছিল।

এদিন দেউতাক অসুখীয়া হৈ কাম কৰিব নোৱাৰা হ'ল। সংসাৰৰ সকলো দায়িত্ব অৰ্ণৱৰ কান্ধত পৰিল। তেওঁ দিনত কাম, ৰাতি পঢ়া, এইদৰেই জীৱনৰ লগত যুঁজিবলৈ আৰম্ভ কৰিলে - "মইও যদি এদিন ভাগৰি পৰোঁ?" কিন্তু লগে লগে মাকৰ মুখখন মনত পৰিছিল। বছৰ পাৰ হ'ল। অসংখ্য কষ্ট, অপমান আৰু অশ্ৰুৰ পিছত এদিন অৰ্ণৱে চৰকাৰী চাকৰি লাভ কৰিলে। যিবোৰ মানুহে কেতিয়াবা তেওঁক তুচ্ছজ্ঞান কৰিছিল, সেই মানুহবোৰেই এতিয়া গৌৰৱেৰে তেওঁৰ নাম ল'বলৈ আৰম্ভ কৰিলে।

চাকৰিত যোগদান কৰাৰ দিনা তেওঁ মাকৰ হাত ধৰি ক'লে - "মা আজিৰ এই সফলতা মোৰ নহয় তোমাৰ ত্যাগৰ ফল।" মাকৰ চকুত আনন্দৰ চকুপানী জিলিকি উঠিল। সেই মূহূৰ্তত অৰ্ণৱে বুজি পাইছিল জীৱনৰ পথ কেতিয়াও সহজ নহয়। জীৱন মানে হাজাৰ বাধাৰ মাজতো নিজৰ সপোনক জীয়াই ৰখা। যিজনে হাৰ নামানে, শেষত জয় তেঁৱেই লাভ কৰে।

❑❑❑

# অপৰিসীম ত্যাগ

শ্ৰীমতী নয়নমণি গগৈ
**চতুৰ্থ ষান্মাসিক**

এখন সৰু গাঁও। চাৰিওফালে সেউজীয়া পথাৰ, ঘাঁহ-বন আৰু নীৰৱ জীৱনৰ সৰলতা। সেই গাঁৱতেই অৰূপ নামৰ এজন ল'ৰা ডাঙৰ হৈছিল। তেওঁৰ ঘৰখন অতি সাধাৰণ, দৰিদ্ৰতাৰ ছাঁত ঢাকি থকা, কিন্তু মৰম স্নেহেৰে ভৰা। অৰূপৰ দেউতাকে দিন হাজিৰা কৰি পৰিয়াল চলাইছিল। ৰ'দ-বৰষুণ, শীত-গ্ৰীষ্ম কোনোদিনেই তেওঁ বিশ্ৰাম বিচাৰি নাথাকিছিল। মাকে ঘৰুৱা কাম-কাজ কৰি ঘৰখন চলোৱাৰ লগতে সন্তানৰ সপোনক আগবঢ়াই নিছিল।

অৰূপ সৰুৰে পৰা পঢ়াত মেধাৱী আছিল। তেওঁৰ চকুত আছিল এটা ডাঙৰ সপোন - "মই ডাঙৰ হৈ চহৰত পঢ়িম, সফল মানুহ হ'ম।" সেই সপোন শুনি তেওঁৰ মাক-বাপেকৰ মুখত সদায় এটা স্নেহভৰা হাঁহি ফুটি উঠিছিল। যদিও সেই হাঁহিৰ আঁৰত আছিল অসংখ্য কষ্ট। কেতিয়াবা ঘৰখনত অভাৱ এনেকুৱা হৈছিল যে দুবেলা ভাতো সঠিকভাৱে জোৰাব নোৱাৰা হৈছিল। তথাপিও দেউতাকে কেতিয়াও অৰূপক সেই কথা বুজিবলৈ নিদিছিল। তেওঁ নিজৰ কষ্ট লুকুৱাই ৰাখি কৈছিল - "তই পঢ়া এৰি নিদিবি।" মাকে নিজৰ সৰু সৰু গহনা বিক্ৰী কৰি অৰূপৰ স্কুল-কলেজৰ খৰচ যোগাইছিল। সেই গহণাবোৰ মাত্ৰ অলংকাৰ নাছিল, সেইবোৰ মাতৃৰ সপোন, আশা আৰু নিঃস্বাৰ্থ মৰমৰ প্ৰতীক আছিল।

সময় বাগৰি গ'ল। অৰূপে চহৰৰ কলেজত নাম লগালে। নতুন পৰিৱেশ, নতুন বন্ধু, নতুন ব্যস্ততা এই সকলোৰে মাজত তেওঁ ধীৰে ধীৰে ঘৰখনৰ পৰা আঁতৰি যাবলৈ ধৰিলে। ফোন কৰাৰ সময় কমি গ'ল। ঘৰলৈ উভতি যোৱাৰ ইচ্ছাও ধীৰে ধীৰে কমি গ'ল।

চহৰৰ জীৱনত তেওঁ নিজক ব্যস্ত কৰি পেলালে, কিন্তু গাঁৱত থকা মাক-দেউতাকৰ মুখত হাঁহি তেওঁ পাহৰিবলৈ আৰম্ভ কৰিছে। এদিন হঠাৎ খবৰ আহিল তেওঁৰ দেউতাক অসুখত পৰিছে। সেই খবৰ শুনি অৰূপৰ মনটো ভাঙি গ'ল। তেওঁ লগে লগে ঘৰলৈ উভতি গ'ল। গাঁৱলৈ গৈ দেখিলে সেই শক্তিশালী দেউতাক এতিয়া বিচনাত শুই আছিল। হাতখন শুকান হৈ পৰিছে, চকুত ক্লান্তিৰ ছাঁ। অৰূপে তেওঁৰ হাতখন ধৰি কান্দি উঠিল। দেউতাকে মৃদু কণ্ঠেৰে ক'লে, "আমি কেতিয়াও নিজৰ বাবে জীয়াই থকা নাই, তোৰ বাবেই জীয়াই আছোঁ তই সুখী হ'লেই আমাৰ জীৱন সফল।"

সেই শব্দবোৰে অৰূপৰ হৃদয়ত গভীৰ আঘাত দিলে। তেওঁ প্ৰথমবাৰৰ বাবে বুজিলে - মাক-দেউতাকৰ ত্যাগ কেতিয়াও শব্দেৰে বৰ্ণনা কৰিব নোৱাৰি। তেওঁলোকৰ সম্পূৰ্ণ জীৱন-সন্তানৰ ভৱিষ্যৎ গঢ়িবলৈ উৎসৰ্গিত। সেই দিনাৰ পিছত অৰূপ সলনি হ'ল। তেওঁ পঢ়াত অধিক মন দিলে, কঠোৰ পৰিশ্ৰম কৰিলে আৰু সফল হ'ল। কিন্তু এইবাৰ তেওঁৰ সফলতাৰ লক্ষ্য সলনি হৈছিল এটা সপোনে, য'ত আছিল তেওঁৰ মাক-দেউতাকৰ মুখৰ শান্তি আৰু হাঁহি। মাক-দেউতাকৰ ত্যাগেই সন্তানৰ জীৱনৰ মূল শক্তি। তেওঁলোকক অৱহেলা কৰা নাযায়, সন্মান আৰু মৰম দিয়াটোৱেই সৰ্বোচ্চ কৰ্তব্য।

সি চাইকেলখন লৈ গাঁৱৰ চাৰি আলিটোলৈ ওলাই আহিল। উদ্দেশ্য নতুনকৈ খোলা কিতাপৰ দোকানখনত ADRE পৰীক্ষাৰ বাবে কিতাপৰ সন্ধান কৰা। সি ক'ৰবাত নহয় ক'ৰবাত মূৰটো গুজিবই লাগিব। তাৰ দুচকুত দেউতাক মাকৰ মুখ দুখনত ফুটি উঠা তৃপ্তিৰ হাঁহিটো চকুলো হৈ তলবলাই উঠিল।

❑❑❑

# মৌমনৰ কথা

শ্ৰীমতী ময়ূৰী দাস
**চতুৰ্থ ষান্মাসিক**

এখন গাঁৱত মৌমন নামৰ এজন ল'ৰা আছিল। মৌমন খুব ভাল, মৰমিয়াল আৰু শান্ত স্বভাৱৰ আছিল। সি তাৰ মাকক বৰ ভাল পাইছিল। এদিনাখন তাৰ মাহীয়েকৰ ল'ৰা ৰতন সিহঁতৰ ঘৰত থাকিবলৈ বুলি আহিছিল। ৰতনৰ ঘৰ শিৱসাগৰত। দীঘলীয়া বন্ধ পালে সি কেতিয়াবা মৌমনৰ ঘৰত থাকিবলৈ বুলি আমগুৰিলৈ আহে। যেতিয়া ৰতন মৌমনহঁতৰ ঘৰলৈ আহে, তেতিয়া মৌমনৰ মাক মানে ৰতনৰ আপায়েকে ৰতনক বৰ মৰম কৰে।

এদিন সন্ধিয়া মৌমনৰ মাক এফালে যাবলৈ ওলালে। মৌমনৰ মাকে যোৱাৰ আগতে মৌমনক মাতি আনি ক'লে - "মৌমন, ইয়াতে দুটুকুৰা কেক আছে অলপ সময়ৰ পাছত তোমালোক দুয়োটাই গাখীৰৰ লগত খাবা।" এইবুলি কৈ মৌমনৰ মাক ঘৰৰ পৰা যাবলৈ ওলাল। যোৱাৰ সময়ত ৰতনক মৰমেৰে মূৰত হাত ফুৰাই ক'লে, "ভালকৈ থাকিবা দেই, মই পাকঘৰত কেক দুটুকুৰা থৈ দিছো দুয়োটাই খাবা।" এইবুলি কৈ মাক ওলাই গ'ল। মৌমনৰ মনত অলপ বেয়া লাগিল। কাৰণ ৰতনক মৰমেৰে কৈ থৈ গ'ল আৰু মৌমনক মৰমেৰে নক'লে। মৌমনৰ বেয়া লাগিল মৌমনে পাকঘৰত গৈ চালে এটুকুৰা কেক ডাঙৰ আৰু এটুকুৰা কেক সৰু। 'দেখা যাওঁক' - মৌমনে ভাবিলে।

মৌমনে মনে মনে ভাবিলে, "মায়ে হয়তো ৰতনক মোতকৈ বেছি মৰম কৰে।" ৰতনে মৌমনৰ মুখখন দেখি গম পালে যে তাইৰ মনটো ভাল নাই। অলপ সময় ৰোৱাৰ পাছত ৰতনে পাকঘৰলৈ আহি ডাঙৰ কেকৰ টুকুৰাটো মৌমনৰ হাতত দি ক'লে - "তুমি এইটো খোৱা।" তুমি মন বেয়া নকৰিবা। এইটো তোমাৰ ঘৰ। মই আলহীহে, সেই বুলি কৈ ৰতনে সৰু কেক টুকুৰা খাবলৈ ল'লে।

মৌমন আচৰিত হৈ গ'ল। মৌমনে এতিয়া মনতে উপলব্ধি কৰিলে যে, 'মৰম ভাগ কৰিলে সেয়া ডাঙৰ হয়।' সেইদিনাৰ পৰা মৌমনে বুজি পালে যে কেতিয়াবা বেছি যত্ন লোৱাটো মানে বেছি মৰম কৰা নহয়।

❑❑❑

# মই আকাশ হ'ব বিচাৰো

শ্ৰীমতী নিতাশ্ৰী গগৈ
**চতুৰ্থ ষান্মাসিক**

মই আকাশ হ'ব বিচাৰোঁ
অসীম নীলিমাত বিলীন হ'ব বিচাৰোঁ।
দুখৰ ক'লা মেঘবোৰ বুকুত সাঁচি,
আনক দিবলৈ খিৰিকীৰে সোমোৱা ৰ'দৰ হাঁহি।
মই আকাশ হ'ব বিচাৰোঁ,
সকলোৰে সপোনৰ ওপৰত ছাঁ হৈ ৰ'ব বিচাৰোঁ।
যিয়ে চকুত অশ্ৰু লৈ মূৰ তুলি চায়,
তাৰ বাবে এটি আশাৰ তৰা জ্বলাই দিব বিচাৰোঁ।
মই আকাশ হ'ব বিচাৰোঁ,
নিজকে হেৰুৱাই পৃথিৱীক আলোকিত কৰিব বিচাৰোঁ।
আকাশ কেতিয়াও কাৰো নিজৰ নহয়
সকলোৰে, সকলো সপোনৰ, সকলো কল্পনাৰ আশ্ৰয়।

❑❑❑

# সৰু কালৰ কথা

শ্ৰীমতী  ময়ূৰী দাস
**চতুৰ্থ যান্মাসিক**

ভাল লাগে সেই সৰু কালৰ কথা ভাৱি
য'ত থাকে কেৱল বোকা আৰু পানী।
নাও বনাই ঘূৰি ফুৰো পানী বিচাৰি
উটুৱাব বিচাৰো লক্ষ্যহীন
নাও খনি।
এতিয়াও মনত পৰে সেই কথা,
য'ত থাকে কেৱল পুতলাই পুতলা।
ডাঙৰ হ'লো এতিয়া
নিবিচাৰোঁ পুতলা,
নিবিচাৰোঁ সেই কাগজৰ নাও......
মাথো বিচাৰি ফুৰোঁ কলমৰ লিখনি
য'ত থাকে কেৱল ভৱিষ্যতৰ জাননী।।

❑❑❑

# ছাত্ৰাবাসৰ এক মধুৰ স্মৃতি

শ্ৰী প্ৰশান্ত খামন
**ষষ্ঠ ষান্মাসিক**

হোষ্টেল.... এই শব্দটো শুনিলেই আজিও বুকুৰ ভিতৰত কিবা এটা নীৰৱে কঁপি উঠে। এতিয়াও হোষ্টেল এৰি যোৱা নাই কিন্তু কেতিয়াবা ৰাতি বিচনাত পৰি থাকোঁতে অনুভৱ হয় - সময় লাহে লাহে শেষ হৈ আহিছে। এই কোঠালিটো, এই দেৱালবোৰ, এই হাঁহিবোৰ এদিন হঠাতে স্মৃতি হৈ ৰ'ব।

আগতে ভাবিছিলোঁ - 'কেতিয়া ঘৰলৈ যাম?' আজি মনে মনে ভয় লাগে - 'সঁচাকৈয়ে এদিন এই ঠাই এৰি যাব লাগিব নেকি? যি কৰিডৰেদি প্ৰতিদিন হাঁহি হাঁহি গৈছিলোঁ, এদিন হয়তো শেষবাৰৰ বাবে খোজ দিব লাগিব। যি বিছনাখনত বহি ৰাতি ২ বজালৈ লগৰবোৰৰ লগত ধেমালি কৰিছিলোঁ, এদিন সেইখন গুছাই নিঃশব্দে ওলাই যাব লাগিব। এতিয়াও সকলো আগৰ দৰেই আছে - কোনোবাই জোৰে জোৰে গান বজাই আছে, কোনোবাই পৰীক্ষাৰ টেনশ্যনত কিতাপ-বহি মেলি আছে, কোনোবাই ফোনত ঘৰলৈ ফোন কৰি কথা পাতি আছে। কিন্তু ভিতৰি ভিতৰি সকলোৱে বুজি পাইছে এই দিনবোৰ বেছি দিন নাথাকে।

সন্ধিয়া সময়ত হোষ্টেলৰ ছাদত উঠিলে এতিয়া আকাশখনো অলপ বেলেগ লাগে। আগতে যেন সময় বহুত আছিল। আজি সময়বোৰ হাতৰ মুঠিৰ পৰা লাহে লাহে খহি যোৱা যেন লাগে।

মাজে মাজে বন্ধুবোৰৰ মুখলৈ চাই থাকোঁ-ভাবো- এদিন হয়তো এইদৰে একেলগে বহিবলৈও সময় নাপাম। সকলোৱে নিজৰ নিজৰ জীৱনত ব্যস্ত হৈ পৰিম। কোনোবাই দূৰ চহৰত চাকৰি কৰিব, কোনোবাই সংসাৰৰ মায়াত সোমাই পৰিব আৰু কোনো হয়তো পুৰণি ফটো হৈ ৰৈ যাব।

সেইকাৰণেই এতিয়া প্ৰতিটো সৰু মূহূৰ্ত বুকুৰ ভিতৰত জমা কৰি ৰাখিবলৈ মন যায়। কাৰণ বুজি পাইছোঁ। এদিনএইবোৰেই জীৱনৰ আটাইতকৈ ডাঙৰ স্মৃতি হ'ব।

হোষ্টেলৰ জীৱনে হয়তো কষ্ট দিছিল, কিন্তু এই কষ্টবোৰৰ মাজতেই জীৱনৰ আটাইতকৈ সঁচা হাঁহিবোৰ লুকাই আছিল। এতিয়াও হোষ্টেল এৰি যোৱা হোৱা নাই কিন্তু হৃদয়খনে যেন আগতেই অনুভৱ কৰিবলৈ আৰম্ভ কৰিছে - বিদায় নামৰ শব্দটো লাহে লাহে ওচৰ চাপি আহিছে আৰু হয়তো সেইকাৰণেই আজিকালি প্ৰতিটো সাধাৰণ দিনো অসাধাৰণ যেন অনুভৱ কৰাইছে। ❑❑❑

# অসমীয়া বিভাগত মোৰ অভিজ্ঞতা

শ্ৰীমতী মনিকা গগৈ
**ষষ্ঠ যান্মাসিক**

কলেজীয়া জীৱনত অসমীয়া বিভাগৰ সৈতে জড়িত অভিজ্ঞতাবোৰ মোৰ বাবে অতি স্মৰণীয় আৰু শিক্ষণীয়। এই বিভাগে মোক কেৱল ভাষা আৰু সাহিত্যৰ জ্ঞানেই দিয়া নাই, নিজৰ সংস্কৃতি, ঐতিহ্য আৰু সমাজক গভীৰভাৱে বুজিবলৈও সহায় কৰিছে। বিভাগত প্ৰথম দিনা সোমাওঁতেই শিক্ষকসকলৰ আন্তৰিকতা আৰু স্নেহে মোক আপ্লুত কৰিছিল। কবিতা, গল্প, উপন্যাস, নাটক আদি পাঠৰ মাজেৰে অসমীয়া সাহিত্যৰ সৌন্দৰ্য্য অনুভৱ কৰিবলৈ শিকিছিলোঁ। বিশেষকৈ সাহিত্য আলোচনা আৰু ব্যাখ্যাই মোৰ চিন্তা-ধাৰাক অধিক বিস্তৃত কৰি তুলিছিল।

অসমীয়া বিভাগত অনুষ্ঠিত হোৱা বিভিন্ন সাহিত্য সভা, আলোচনা চক্ৰ, কবিতা আবৃত্তি আৰু সাংস্কৃতিক অনুষ্ঠানসমূহত অংশগ্ৰহণ কৰি নতুন অভিজ্ঞতা লাভ কৰিছোঁ। এইবোৰ কাৰ্যসূচীয়ে মোৰ আত্মবিশ্বাস বৃদ্ধি কৰিছিল আৰু নিজৰ প্ৰতিভা প্ৰকাশ কৰাৰ সুযোগ দিছিল। লগতে সহপাঠীসকলৰ সৈতে একেলগে কাম কৰি বন্ধুত্বৰ সম্পৰ্ক অধিক মজবুত হৈছিল। এই বিভাগৰ মোৰ সহপাঠী লগতে আমাৰ সকলোৰে চিনাকি মুখ প্ৰশান্ত খামন বন্ধুক ধন্যবাদ জনাইছো। আমাৰ বিভাগটোৰ হৈ কাম কৰি যোৱাৰ বাবে আৰু আমাক সকলোকে একতাৰ এনাজৰীৰে বান্ধি ৰখাৰ বাবে সৃষ্টিশীলতাৰে ভৰা আছিল। শিক্ষকসকলৰ উৎসাহ আৰু দিশ নিৰ্দেশনাই মোক সাহিত্যৰ প্ৰতি অধিক আগ্ৰহী কৰি তুলিছিল। অসমীয়া বিভাগত অধ্যয়ন কৰি মই নিজৰ মাতৃভাষাৰ প্ৰতি অধিক ভালপোৱা আৰু গৌৰৱ অনুভৱ কৰিবলৈ শিকিছোঁ। সাহিত্য অধ্যয়নে মোৰ চিন্তাধাৰা উন্নত কৰিছে আৰু জীৱনক নতুন দৃষ্টিভংগীৰে চাবলৈ শিকাইছে। আমাৰ বিভাগৰ সহপাঠীসকলৰ সৈতে কটোৱা সময়বোৰ অতি আনন্দময় আছিল। আমি একেলগে পাঠ আলোচনা কৰিছিলোঁ, নোট প্ৰস্তুত কৰিছিলো আৰু বিভিন্ন অনুষ্ঠান সফল কৰিবলৈ একেলগে কাম কৰিছিলোঁ। ইয়াৰ ফলত আমাৰ মাজত বন্ধুত্ব আৰু সহযোগিতাৰ মনোভাৱ অধিক মজবুত হৈছিল। অসমীয়া বিভাগত কটোৱা সময়ত মোৰ ব্যক্তিত্ব গঢ়ি তোলাত বিশেষ ভূমিকা পালন কৰিছে। সেয়েহে এই বিভাগৰ সৈতে জড়িত মোৰ অভিজ্ঞতা মোৰ হৃদয়ত স্মৰণীয় হৈ থাকিব।

❑❑❑

# অসমত ব্যাকৰণ চৰ্চা ঃ এটি আলোকপাত

**শ্ৰীমতী পদ্মকুমাৰী গগৈ**
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়

মানুহৰ চিন্তা চেতনাৰ বাহক হৈছে ভাষা। মানুহে পৰস্পৰৰ লগত ভাব বিনিময় কৰিবলৈ বাগিন্দ্ৰিয়ৰ সহায়ত উচ্চাৰণ কৰা সুবিন্যস্ত অৰ্থবহ ধ্বনি প্ৰতীকৰ সমষ্টিয়েই ভাষা। ভাৰতীয় সাহিত্যৰ প্ৰাচীনতম নিদৰ্শন বেদতেই ভাষা বিষয়ক চিন্তাচৰ্চাৰ শুভাৰম্ভ হয়। ঋক্‌বেদৰ একাধিক সূক্তত ভাষাবিষয়ক আলোচনাৰ পৰিচয় পোৱা যায়। অৱশ্যে এনে আলোচনা বিশ্লেষণাত্মক নাছিল। ভাষা বিশ্লেষণৰ প্ৰথম উল্লেখ পোৱা যায় কৃষ্ণ যৰ্জুবেদ গ্ৰন্থত। এই গ্ৰন্থত উল্লেখ আছে যে দেৱতাসকলৰ অনুৰোধত দেৱৰাজ ইন্দ্ৰই প্ৰথমে অব্যাকৃত ভাষণ ব্যাকৃত কৰে। এই ব্যাকৃত শব্দৰপৰাই পিছত ব্যাকৰণ(বি- আ + কৃ+ অনট্)। ব্যাকৰণ শব্দৰ ইংৰাজী প্ৰতিশব্দ হ'ল Grammar, যাৰ বুৎপত্তিগত অৰ্থ লিখাৰ কলা (Art of Writing)। "ব্যাকৰণ শব্দৰ অৰ্থ হৈছে সকলো কথা বিতংকৈ খৰচি মাৰি কৰা আলোচনা। কোনো এটা ভাষাৰ গঠনৰ সকলো কথা বিতংকৈ বিশ্লেষণ বা আলোচনা কৰা পুথিৰ নাম সেই ভাষাৰ ব্যাকৰণ।" [১]

**ব্যাকৰণ শিক্ষাৰ প্ৰয়োজনীয়তা ঃ**

মানুহে নিজৰ নিজৰ মাতৃভাষাত কথা ক'বৰ বাবে ব্যাকৰণ শিকাৰ প্ৰয়োজন নাই। অৰ্থাৎ ব্যাকৰণ নিশিকাকৈও মাতৃভাষীসকলে নিজৰ নিজৰ মাতৃভাষাত সুন্দৰভাৱে কথা ক'ব পাৰে। এনে ক্ষেত্ৰত ব্যাকৰণৰ প্ৰয়োজন হয় কেৱল ভাষাটোৰ ভিতৰুৱা গঠন শিকিবলৈ আৰু ভাষাটো শুদ্ধৰূপে লিখিবলৈ। কিন্তু নিজৰ মাতৃভাষাৰ বাহিৰে অন্য এটা ভাষা নতুনকৈ শিকিবলৈ, সেই ভাষাটোৰ তাত্ত্বিক কথাবিলাক জানিবলৈ সেই ভাষাৰ ব্যাকৰণ জনাটো অতিকে প্ৰয়োজনীয়। তদুপৰি ল'ৰাছোৱালীৰ চিন্তাৰ বিকাশৰ কাৰণে ভাষাৰ ব্যাকৰণ অনুশীলন অতিকে প্ৰয়োজনীয়। চিন্তাই ভাষাক আৰু ভাষাই চিন্তাক প্ৰভাৱান্বিত কৰে। সেয়ে প্ৰাচীন ভাৰতত বাৰবছৰ কাল কেৱল ব্যাকৰণৰ শিক্ষাকে দিয়াৰ ব্যৱস্থা আছিল। গতিকে বিজ্ঞানসন্মত পদ্ধতিৰে ৰচনা কৰা উপযুক্ত পুথিৰ সহায়ত প্ৰকৃত শিক্ষণ পদ্ধতিৰে ব্যাকৰণ শিক্ষা দিলে ল'ৰা ছোৱালীৰ চিন্তা শক্তিৰ বিকাশ ঘটিব।

**অসমত ব্যাকৰণ চৰ্চা ঃ**

১৮২৬ চনত মান আৰু ইংৰাজৰ মাজত হোৱা ইয়াণ্ডাবু সন্ধিৰ চৰ্ত অনুসৰি অসমৰ শাসনভাৰ বৃটিছৰ হাতলৈ যায়। শাসন কাৰ্য চলাবৰ বাবে অসমৰ অসমীয়া ভাষাটো শিকাৰ প্ৰয়োজন হোৱাত বৃটিছ বিষয়া গুৱাহাটী ছেমিনাৰীৰ হেডমাষ্টৰ উইলিয়াম ৰবিন্সনে ১৮৩৯ চনত 'A Grammar of the Asamese Language' নামৰ এখন ব্যাকৰণ লিখি উলিয়ায়। এইখনেই ইংৰাজী ভাষাত লিখা অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণ। এই ব্যাকৰণৰ আৰ্হি আছিল লেটিন ব্যাকৰণ। এই গ্ৰন্থখনত অসমীয়া ভাষাৰ গাঁথনিক দিশ স্পষ্টৰূপত দাঙি ধৰিব নোৱাৰিলেও অসমত ব্যাকৰণ ৰচনাৰ এক দৃষ্টান্ত দাঙি ধৰাৰ বাবে এই ব্যাকৰণখনৰ ঐতিহাসিক মূল্য আছে। বৃটিছৰ তলত চাকৰি কৰা কিছুমান বঙালীলোকৰ প্ৰৰোচনাত ১৮৩৬ চনৰপৰা ১৮৭২ চনৰ আদিভাগলৈকে অসমৰ পঢ়াশালি, আদালতত বঙলা মাধ্যমহে চলিছিল। সেই সময়তে অসমত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ কৰিবলৈ অহা বেপ্টিষ্ট মিছনেৰীসকলৰ হাতত পুনৰ লুপ্তপ্ৰায় অসমীয়া ভাষাটোৱে প্ৰাণ পাই উঠিল। মিছনেৰীসকলৰ প্ৰচেষ্টাত ১৮৭৩ চনৰপৰা অসমত পুনৰ অসমীয়া মাধ্যম প্ৰৱৰ্তন হৈছিল। এওঁলোকৰ দিনতেই অসমীয়া সাহিত্যত আধুনিকতাৰ বীজ অংকুৰিত হ'ল। উইলিয়াম ৰবিন্সনৰ ব্যাকৰণখন ডিব্ৰুগড় বিশ্ববিদ্যালয়ে প্ৰকাশ কৰি উলিয়াইছিল। কিন্তু ডিব্ৰুগড় বিশ্ববিদ্যালয়ে প্ৰকাশ কৰা ব্যাকৰণখন সত্যেন্দ্ৰ নাৰায়ণ গোস্বামীয়ে কলিকতাৰ নেচনেল লাইব্ৰেৰীত সংৰক্ষিত মূল ব্যাকৰণখনৰপৰা নিজে হাতেলিখি সংগ্ৰহ কৰা এটা কপিৰপৰা লোৱা হৈছিল। ব্যাকৰণখনত মূলত থকা Asamese শব্দটো Assamese ৰূপেহে লিখা দেখা গৈছে।

ইংৰাজী ভাষাত লিখা দ্বিতীয়খন অসমীয়া ব্যাকৰণ হ'ল -'Grammatical Notices of the Asamese Language'। নাথান ব্ৰাউনে ব্যাকৰণখন ৰচনা কৰে ১৮৪৮ চনত। তেওঁৰ ব্যাকৰণখনত অসমীয়া ভাষাৰ গঠনৰীতি সম্পৰ্কে বিশ্লেষণাত্মক দৃষ্টিভংগী প্ৰকাশ পাইছে। ১৮৯৩ চনলৈকে ব্যাকৰণখনৰ তিনিটা সংস্কৰণ প্ৰকাশ পাইছিল যদিও সেইবিলাক বৰ্তমান দুষ্প্ৰাপ্য। ১৮৯৩ চনত মূল ব্যাকৰণখনক পুনৰীক্ষণ কৰি P.H.Moore য়ে 'Grammatical Notes on Asamese Language'নাম দি পুনৰ তৃতীয় সংস্কৰণ প্ৰকাশ কৰিছিল। ১৯৮২ চনত অসম সাহিত্য সভাই P.H.Moore অৰ তিনিটা সংস্কৰণৰ পুনৰ মুদ্ৰণ কৰি প্ৰকাশ কৰে। ব্ৰাউনে তেওঁৰ অসমীয়া ব্যাকৰণখনক অসমীয়া ভাষাৰ এটা টোকা বুলিহে

ক'ব বিচাৰিছে। 'The following notices do not claim to be regarded as a grammar of the Asamese Language, nor were they prepared with a view to publication in their present state' ব্যাকৰণখনত নাথান ব্ৰাউনে বঙলা ভাষাক অসমীয়াৰ পিতৃভাষা নহয় বুলি দেখুৱাবৰ প্ৰয়াস কৰিছে। বঙালীসকল অসমলৈ অহাৰ বহু আগেয়ে অসমীয়া ভাষাই স্বকীয় বৈশিষ্ট্যৰে প্ৰতিষ্ঠা লাভ কৰিছে। উচ্চাৰণৰ দিশতো অসমীয়া ভাষাই সংস্কৃত ভাষাৰ ধাৰাবাহিকতাহে যে ৰক্ষা কৰিছে তাৰ যথোপযুক্ত উদাহৰণ ব্ৰাউনে ব্যাকৰণখনত দাঙি ধৰিছে। তেওঁ ব্যাকৰণখনৰ পাতনিত এই কথাও কৈছে যে সৌন্দৰ্য আৰু কোমলতাৰ দিশত অসমীয়া ভাষাটো বাংলা ভাষাতকৈও উচ্চ 'For beauty and softness, the Asamese language is much superior to the Bengali...'[২]। শিৱসাগৰ অঞ্চলৰ কথিত ভাষাৰ ভেঁটিত বৰ্ণনাত্মক ৰীতিৰে লিখা ব্ৰাউনৰ ব্যাকৰণখনত অসমীয়া ভাষাটোত বৈশিষ্ট্যপূৰ্ণ জতুৱা গঠনৰ যথেষ্ট বিতং আৰু শুদ্ধ আলোচনা পোৱা যায়।

১৮৯৪ চনত অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক জি.এফ.নিকল চাহাবে তেওঁৰ 'Manual of the Bengali Language' নামৰ বাংলা ব্যাকৰণখনৰ শেষত'Appendix V Sketch of Asamese Grammar'(পৃষ্ঠা- ৩২৩-৩৬২)খন সংযোজিত কৰি প্ৰকাশ কৰিছিল। নিকলৰ এই ব্যাকৰণখনত ঠাই বিশেষে বাংলা ভাষাৰ লগত অসমীয়া ভাষাৰ মিল-অমিলবোৰ উল্লেখ কৰিছে। নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰক্ষেত্ৰত 'টা'ৰ ব্যৱহাৰ (Chakita- (ছাকিটা), Manuhta- (মানুহটা)) আৰু বহুবচনাত্মক 'হঁত' প্ৰয়োগ মনকৰিবলগীয়া। হাঁহ, পাৰ আদি শব্দত 'হঁত' প্ৰত্যয় ব্যৱহাৰ কৰি বহুবচন কৰা হৈছে। নিকল এই ব্যাকৰণখন 'A Bengali Grammar also an Asamese Grammar' নামেৰেও ১৮৮৫ চনত প্ৰকাশ কৰিছিল। ২০১৮ চনত প্ৰবীণ চন্দ্ৰ দাস আৰু খগেশ সেন ডেকাই সংকলন আৰু সম্পাদনা কৰি উলিয়ায় 'Grammar of Assamese Language' নামেৰে এখন ব্যাকৰণ প্ৰকাশ কৰে য'ত উইলিয়াম ৰবিন্সনৰ 'A Grammar of the Asamese Language',ড° নাথান ব্ৰাউনৰ 'Grammatical Notices of the Asamese Language' আৰু জি.এফ.নিকলৰ ' An Asamese Grammar' ব্যাকৰণখনৰ একত্ৰিত সংকলন পোৱা যায়।

অসমীয়া ভাষাত লিখা প্ৰথম অসমীয়া ব্যাকৰণখন হ'ল হেমচন্দ্ৰ বৰুৱাৰ 'অসমীয়া ভাষাৰ ব্যাকৰণ'। ১৮৫৯ চনত এই ব্যাকৰণখন প্ৰকাশ হয়। সংস্কৃত ভাষাৰ বিদগ্ধ পণ্ডিত আৰু ইংৰাজী শিক্ষাৰে শিক্ষিত হেমচন্দ্ৰ বৰুৱাই ইংৰাজী আৰু সংস্কৃত ভাষাৰ আৰ্হিত এই ব্যাকৰণখন ৰচনা কৰে। ব্যাকৰণখনত অসমীয়া ভাষাৰ লিখিত

ৰূপটোক এক শৃংখলাৰ মাজলৈ আনিবৰ যত্ন কৰা হৈছে। এই ব্যাকৰণখনে অসমীয়া ব্যাকৰণৰ সুদৃঢ় আৰু সুনির্মিত বুনিয়াদ গঢ়ি তোলে। ১৮৭৩ চনত অসমত বাংলা ভাষাৰ ঠাইত নিজৰ স্থানত অসমীয়া ভাষা পুনৰ সংস্থাপিত হোৱাৰ সময়তে হেমচন্দ্ৰ বৰুৱাই 'অসমীয়া ভাষাৰ ব্যাকৰণ'ৰ নাম সংশোধিত কৰি 'অসমীয়া ব্যাকৰণ' নাম দি প্ৰকাশ কৰে। পাছত তেওঁ ১৮৮২ চনত শিক্ষাৰ্থীৰ উপযোগীকৈ 'অসমীয়া ল'ৰাৰ ব্যাকৰণ' নামেৰে এখন চমু ব্যাকৰণ ৰচনা কৰিছিল। ১৮৭৩ চনত অসমৰ পঢ়াশালি, আদালত আদিত অসমীয়া ভাষাৰ পুনৰ প্ৰচলন হোৱাৰ লগেলগে সেই সময়ত ভাষাটোৰ ব্যাকৰণ আৰু পাঠ্যপুথিৰ অভাৱে গা কৰি উঠিছিল। সেই সময়ৰ পৰা ঊনবিংশ শতিকাৰ শেষলৈকে হেমচন্দ্ৰ বৰুৱাৰ বাহিৰেও কেইবাগৰাকীও পণ্ডিতে অসমীয়া ভাষাৰ ব্যাকৰণ ৰচনা কৰিছিল। সেইসকল হ'ল - দীনবন্ধু তৰ্কালংকাৰ, নাৰায়ণ শৰ্মা বিদ্যাভূষণ, ধৰ্মেশ্বৰ গোস্বামী। ১৮৭৩ চনত দীনবন্ধু তৰ্কালংকাৰৰ 'অসমীয়া ল'ৰাৰ ব্যাকৰণ' প্ৰকাশিত হয়। ১৮৭৮ চনলৈকে পাঁচ বছৰৰ ভিতৰতে এই ব্যাকৰণখনৰ ছটা সংস্কৰণ প্ৰকাশ হৈছিল। ১৮৮৪ চনত ধৰ্মেশ্বৰ গোস্বামীৰ 'ল'ৰাবোধ ব্যাকৰণ' কলিকতাৰপৰা প্ৰকাশিত হৈছিল। ১৮৮৭ চনত দুবাৰকৈ প্ৰকাশিত হোৱা ব্যাকৰণখন হ'ল নাৰায়ণ শৰ্মা বিদ্যাভূষণৰ 'আশুবোধ ব্যাকৰণ'। কুৰি শতিকাৰ আৰম্ভণিত এই ব্যাকৰণখন পঢ়াশালিত চলিছিল।

হেমচন্দ্ৰ বৰুৱাৰ পাছতে দেৱানন্দ ভৰালিয়ে ইংৰাজী ভাষাত অসমীয়া ভাষাবিষয়ক এখন ব্যাকৰণ ৰচনা কৰে। ১৯১২ চনৰ আগতেই প্ৰকাশিত ব্যাকৰণখন হৈছে 'A Manual of Assamese Grammar'। গ্ৰন্থখন সম্প্ৰতি দুষ্প্ৰাপ্য। তেওঁৰ ১৯১২ চনত প্ৰকাশিত 'অসমীয়া ভাষাৰ মৌলিক বিচাৰ'গ্ৰন্থখন (ব্যাকৰণৰ আদৰ্শৰে ৰচিত হোৱা নাই যদিও)তো অসমীয়া ভাষাৰ গঠনৰ বিভিন্ন দিশ আলোচনা কৰা হৈছে। অসমীয়া ভাষাৰ উৎপত্তিৰ প্ৰসংগত অসমীয়া ব্যাকৰণৰ মৌলিক সামগ্ৰী- অসমীয়া বৰ্ণমালা আৰু তাৰ উচ্চাৰণ, শব্দৰূপ, প্ৰত্যয়, সমাস, ক্ৰিয়া আদি আলোচনা কৰিছে। এই গ্ৰন্থখনৰ প্ৰকাশে অসমীয়া ব্যাকৰণৰ ভাষাতাত্ত্বিক ধাৰাৰ আৰম্ভণি ঘটায়।

ভৰালিৰ পাছত লোকনাথ শৰ্মাই 'অসমীয়া ব্যাকৰণ' ৰচনা কৰে ১৯১০ চনত । ব্যাকৰণখনত অসমীয়া সন্ধি সম্পৰ্কে নতুন ব্যাখ্যা আগবঢ়াইছে। সংস্কৃত ভাষাৰ নিয়ম অনুসৰি অসমীয়া ভাষাৰ সন্ধি সম্পন্ন নহয়- এই সম্পৰ্কে শৰ্মাই ব্যাকৰণখনত উল্লেখ কৰিছে। এই ব্যাকৰণখন পাছত সুৰেন্দ্ৰ মোহন দাসে সংশোধিত কৰি নতুন সংস্কৰণ উলিয়ায়।

গভীৰ নিষ্ঠা আৰু সততাৰে ব্যাকৰণ ৰচনা কৰা এগৰাকী লেখত ল'বলগীয়া ব্যক্তি সত্যনাথ বৰা। তেওঁৰ ১৯২৫ চনত প্ৰকাশিত 'বহল ব্যাকৰণ'খন অসমীয়া ভাষাৰ ব্যাকৰণৰ ইতিহাসত গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে। তেওঁ ব্যাকৰণৰ ব্যাখ্যা দাঙি ধৰিছে এনেদৰে- "ব্যাকৰণ ভাষাৰ বিশ্লেষণ বা ভাঙনি। ই ভাষা এটাক খণ্ড খণ্ড কৰি, তাৰ গঠন আৰু গঠন প্ৰণালীটোক ভাঙি-ছিঙি ভিন্ ভিন্ কৰি দেখুৱাই দিয়ে আৰু সেই ভিন্ ভিন্ খণ্ডবিলাকৰ ভিন্ ভিন্ নাম দিয়ে। যথাৰ্থ পক্ষত ব্যাকৰণে ভাষা নিশিকায়, ভাষাটোক ফালি ছিৰি তাৰ ভিতৰ ডোখৰ কেনেকুৱা তাকে মাথোন দেখুৱাই দিয়ে।[৩] আধুনিক ভাষাবিজ্ঞানীৰ মতেও ব্যাকৰণ বৰ্ণনাত্মকহে, নিৰ্দেশাত্মক নহয়। 'বহল ব্যাকৰণ'ত অসমীয়া ভাষাৰ গঠন সম্পৰ্কীয় যথেষ্ট ভাষাবিজ্ঞানসন্মত মত তথা বিশ্লেষণ আছে যদিও দুই এটা মন্তব্য গ্ৰহণযোগ্য নহয়। উদাহৰণস্বৰূপে, সংস্কৃতত শব্দৰ হে সন্ধি কৰা হয়, সিও লিখোতাৰ ইচ্ছাধীন।[৪] অসমীয়া ভাষাত সন্ধি আছে বুলি গোলোক চন্দ্ৰ গোস্বামীয়ে উল্লেখ কৰি গৈছে। উদাহৰণ স্বৰূপে- পাগ ঘৰ(পাক্ ঘৰ), সাদিনীয়া(সাতদিনীয়া), বুদ্ বাৰ(বুধ বাৰ)।[৫] ১৯৩৩ চনত নিম্ন শ্ৰেণীৰ ছাত্ৰছাত্ৰীৰ উপযোগীকৈ শৰৎচন্দ্ৰ গোস্বামীয়ে প্ৰণয়ন কৰি উলিয়াইছিল 'সৰল ব্যাকৰণ'। অসম চৰকাৰে সেই সময়ত এই ব্যাকৰণখন পাঠ্যপুথি ৰূপে মঞ্জুৰ কৰিছিল। ১৯৩৬ চনত কালিৰাম মেধিয়ে লিখি উলিয়ায় 'অসমীয়া ভাষাতত্ত্ব আৰু ব্যাকৰণ' নামেৰে এখন অতি উন্নত মানৰ গ্ৰন্থ। গ্ৰন্থখনত ব্যাকৰণৰ লগতে অসমীয়া ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ সম্পৰ্কে উল্লেখ আছে। ১৯৪১ চনত প্ৰকাশিত বাণীকান্ত কাকতিৰ 'Assamese it's Formation and Development' গ্ৰন্থতো ভাষাটোৰ সাম্প্ৰতিক ৰূপৰ আলোচনা কৰা হৈছে। অৱশ্যে এইখন গ্ৰন্থত অসমীয়া ভাষাৰ ঐতিহাসিক বিৱৰ্তনৰ ভাষাবৈজ্ঞানিক আলোচনাহে পোৱা যায় । 'অসমীয়া ভাষাতত্ত্ব আৰু ব্যাকৰণ' আৰু 'Assamese it's Formation and Development' গ্ৰন্থত অসমীয়া ব্যাকৰণৰ ভাষাতাত্ত্বিক ধাৰাৰ আলোচনা পোৱা যায়। ইয়াৰ পাছত ১৯৪২ চনত প্ৰকাশ হয় সোণাৰাম চৌধুৰীৰ 'অসমীয়া সাহিত্যবোধ ব্যাকৰণ'। এই ব্যাকৰণখন বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধত অসমৰ বিদ্যালয়ত ওপৰ শ্ৰেণীৰ ব্যাকৰণৰ পাঠ্যপুথি ৰূপে চলিছিল। এই ব্যাকৰণ খন বিংশশতিকাৰ প্ৰথমাৰ্দ্ধত অসমৰ বিদ্যালয়ত ওপৰ শ্ৰেণীৰ ব্যাকৰণৰ পাঠ্যপুথিৰূপে চলিছিল। এইখন ব্যাকৰণৰ পাছত ক্ৰমে ১৯৫০ চনত ঘনকান্ত শৰ্মাৰ 'অসমীয়া ভাষা শিক্ষা ব্যাকৰণ', আদিত্য চন্দ্ৰ ভড়ালীৰ 'সৰল ব্যাকৰণ পাঠ'(১৯৫১), তাৰানাথ বৰপূজাৰীৰ 'অসমীয়া ভাষাবোধ

ব্যাকৰণ'(১৯৫২), গিৰিধৰ শৰ্মাৰ 'আধুনিক অসমীয়া ভাষাৰ ব্যাকৰণ'(১৯৫৩) প্ৰকাশ হয়। ১৯৫৩ চনতে ডিম্বেশ্বৰ নেওগেও 'শুধ অসমীয়া' নামেৰে এখন ব্যাকৰণ লিখিছিল। আকাৰত নিচেই সৰু হ'লেও ব্যাকৰণখনত অসমীয়া ভাষাৰ উচ্চাৰণ, আখৰ জোঁটনি আদিৰ বিষয়ে সুন্দৰ আলোচনা আগবঢ়াইছে। ১৯৫৪ চনত হৰিচন্দ্ৰ ভট্টাচাৰ্যই 'অসমীয়া ব্যাকৰণৰ জিলিঙণি' লিখি উলিয়ায়। এই ব্যাকৰণখনৰ ৰচনাৰ মূল আধাৰ হেমচন্দ্ৰ বৰুৱা আৰু সত্যনাথ বৰাৰ ব্যাকৰণ। ইয়াৰ পাছত ক্ৰমান্বয়ে প্ৰকাশিত ব্যাকৰণসমূহ হ'ল - গোলোক চন্দ্ৰ গোস্বামীৰ 'অসমীয়া গোলোক ব্যাকৰণ'(১৯৭২), 'অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ'(১৯৮৭), 'অসমীয়া ব্যাকৰণ প্ৰৱেশ'(২০০০), ভূপেন্দ্ৰ নাথ চৌধুৰীৰ 'নতুন অসমীয়া ভাষাৰ ব্যাকৰণ'(১৯৭২), মুকুন্দ মাধৱ শৰ্মাৰ 'ব্যাকৰণ মঞ্জৰী'(১৯৭২), বিনন্দ চন্দ্ৰ বৰ্মনৰ 'অসমীয়া ভাষাবোধ ব্যাকৰণ'(১৯৭২), ভগৱান মৰলৰ 'অসমীয়া ব্যাকৰণ জ্যোতি'(১৯৭৪), উপেন্দ্ৰ নাথ গোস্বামীৰ 'অসমীয়া ভাষাৰ ব্যাকৰণ'(১৯৮১), ৰমেশ পাঠকৰ 'ব্যাকৰণ আৰু প্ৰাকৃতিবিজ্ঞান'(১৯৮৮) আৰু বাপচন্দ্ৰ মহন্তৰ 'অসমীয়া ব্যাকৰণৰ ৰূপৰেখা'(১৯৮৯)। ২০১৯ চনত খগেশ সেন ডেকাই 'ব্যাকৰণ তত্ত্ব আৰু তাত্ত্বিক' গ্ৰন্থখন প্ৰকাশ কৰি উলিয়ায়। এই গ্ৰন্থখন আচলতে ব্যাকৰণ পুথি নহয়, ইয়াত ব্যাকৰণ, আখৰ জোঁটনি বিষয়ক কেইটামান প্ৰবন্ধহে পোৱা যায়।

এই ব্যাকৰণসমূহৰ ভিতৰত গোলোক চন্দ্ৰ গোস্বামীয়ে ৰচনা কৰা 'অসমীয়া গোলোক ব্যাকৰণ'খনেই ভাষাবৈজ্ঞানিক ভিত্তিত ৰচিত প্ৰথম ব্যাকৰণ। ভাষাবিজ্ঞানৰ দৃষ্টিভংগীৰে অসমীয়া ভাষাৰ গাঁথনিক স্বৰূপ ব্যাকৰণখনত আলোচনা কৰা হৈছে। তেওঁ পৰৱৰ্তী সময়ত ৰচনা কৰা 'অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ' আৰু 'অসমীয়া ব্যাকৰণ প্ৰৱেশ' গ্ৰন্থদুখনত প্ৰথমখনতকৈও বেছি বহলভাৱে, পুংখানুপুংখভাৱে ভাষাবিজ্ঞানৰ নীতি অনুসৰি অসমীয়া ভাষাৰ গাঁথনিক দিশৰ বিশ্লেষণ আগবঢ়াইছে। 'অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ' গ্ৰন্থখন সম্পূৰ্ণ অৰ্থত ব্যাকৰণ নহ'লেও অসমীয়া ভাষাৰ ব্যাকৰণ চৰ্চাৰ

আটাইবোৰ দৰকাৰী সমল পোৱা যায়। গোলোক চন্দ্ৰ গোস্বামীৰ আগতে ভগবান মৰলৰ দ্বাৰা ৰচিত 'অসমীয়া ব্যাকৰণ জ্যোতি' আৰু উপেন্দ্ৰনাথ গোস্বামীৰ দ্বাৰা ৰচিত 'অসমীয়া ভাষাৰ ব্যাকৰণ'তো ভাষাবৈজ্ঞানিক পদ্ধতিৰে অসমীয়া ভাষাৰ গঠন সম্পৰ্কীয় দিশসমূহ আলোচনা কৰিবলৈ চেষ্টা কৰিছে। ৰমেশ পাঠকৰ 'ব্যাকৰণ আৰু প্ৰাকৃতিবিজ্ঞান' গ্ৰন্থখনত থকা ব্যাকৰণৰ আলোচনা অতি উচ্চ শ্ৰেণীৰ বাবেহে।

**উপসংহাৰ ঃ**

এডৱাৰ্ড ছেপিৰে তেওঁৰ ‘Language’(1921) নামৰ গ্ৰন্থত লিখিছে যে All grammars leak(P-39) অৰ্থাৎ ব্যাকৰণ মাত্ৰৰে তলিখন ফুটা। অৰ্থাৎ ব্যাকৰণবোৰৰ কোনো এখনেই সকলো ফালৰপৰা সম্পূৰ্ণ আৰু পূৰ্ণাংগ নহয়। অসম্পূৰ্ণতা সকলোবোৰ ব্যাকৰণৰে আছে। ১৮৩৯ চনত ৰবিন্সনে প্ৰথম অসমীয়া ভাষা বিষয়ক ব্যাকৰণখন লিখাৰ পৰা বৰ্তমানলৈকে বহুকেইখন অসমীয়া ভাষাৰ ব্যাকৰণ ৰচিত হ’ল। প্ৰথম পৰ্যায়ত ৰচিত ব্যাকৰণসমূহৰ তুলনাত পৰৱৰ্তী সময়ত ৰচিত ব্যাকৰণবোৰত অসমীয়া ভাষাৰ গাঁথনিকদিশবোৰ ভাষাবৈজ্ঞানিক দৃষ্টিভংগীৰে কিছু বিশ্লেষণ কৰা হৈছে যদিও এই বিষয়ত গৱেষণাৰ অধিক থল আছে।

**প্ৰসংগ সূত্ৰ ঃ**

১. গোলোক চন্দ্ৰ গোস্বামী, অসমীয়া ব্যাকৰণ প্ৰৱেশ, পৃষ্ঠা- ৫-৬
২. Nathan Brown, Grammatical Notices of the Assamese Language, Introduction.
৩. সত্যনাথ বৰা, বহল ব্যাকৰণ, পাতনি
৪. সত্যনাথ বৰা, বহল ব্যাকৰণ, পাতনি
৫. গোলোক চন্দ্ৰ গোস্বামী, অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ, পৃষ্ঠা- ৬৯

**প্ৰসংগ পুথি**

**অসমীয়া ঃ**

১. গোস্বামী,গোলোক চন্দ্ৰ, অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ, বীণা লাইব্ৰেৰী,গুৱাহাটী, তৃতীয় সংস্কৰণ, ১৯৯৩ ।
২. গোস্বামী,গোলোক চন্দ্ৰ, অসমীয়া ব্যাকৰণ প্ৰৱেশ,বীণা লাইব্ৰেৰী,গুৱাহাটী, দ্বিতীয় তাঙৰণ, ২০০৩ ।
৩. ডেকা, খগেশ সেন, ব্যাকৰণ তত্ত্ব আৰু তাত্ত্বিক, বান্ধৱ প্ৰকাশন, গুৱাহাটী, দ্বিতীয় প্ৰকাশ, অক্টোবৰ, ২০১৯।
৪. বৰা, সত্যনাথ, বহল ব্যাকৰণ, সত্যজ্ঞান, আৰ্লৰ’ড, গুৱাহাটী, পুনৰ মুদ্ৰিত, মে’, ১৯৮৯ ।
৫. বৰুৱা,ভীমকান্ত, অসমীয়া ভাষা, বনলতা, ডিব্ৰুগড়, চতুৰ্থ সংস্কৰণ, ১৯৯৩ ।

৬. মৰল, ভগৱান, অসমীয়া ব্যাকৰণ জ্যোতি, অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেড, গুৱাহাটী, ত্ৰয়োদশ প্ৰকাশ, ১৯৯২ ।

ইংৰাজী ঃ

1. Brown, Nathan,Grammatical Notices of the Asamese Language, American Baptist Mission Press, Sibsagor,1848
2. Das, Prabin Chandra and Deka, Khagesh Sen (Compiled & Edited), Grammar of Assamese Language, Assam Book Hive, Guwahati, First Combined Edition,2018.
3. Kakati, Banikanta, Assamese it's Formation and Development, LBS Publication, Gauhati, Fifth Edition, 1995.
4. Nicholl,G.F, A Bengali Grammar also an Asamese Grammar, 1885
5. Sapir, Edward, Language, An Introduction to the Study of Speech, Newyork, 1921

❑❑❑

# কৃত্ৰিম বুদ্ধিমত্তা ঃ একবিংশ শতিকাৰ সম্ভাৱনা নে সংশয়

শ্ৰীমতী ৰেখামণি গগৈ
**সহকাৰী অধ্যাপিকা**
অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়

কৃত্ৰিম বুলি ক'লেই যি প্ৰাকৃতিক নহয় তাকেই বুজা যায়। একবিংশ শতিকাৰ দ্বিতীয় দশকত 'কৃত্ৰিম বুদ্ধিমত্তা (AI)' বিষয়টোৱে বহু চৰ্চা লাভ কৰিছে। প্ৰযুক্তিৰ এই বিকাশৰ যুগত মানৱ বুদ্ধিক ইণ্টাৰনেটে চুৰি কৰি অত্যাধুনিক কলাত্মক সৃষ্টি কৰিবলৈ সক্ষম হৈছে। মানুহৰ দৰে সুবহু (AI), ই গীত-কবিতা, গল্প, প্ৰবন্ধ ৰচনা কৰি মানুহৰে কাম সহজ কৰি তুলিছে। এই ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তা মানৱ সমাজৰ সম্ভাৱনা স্বৰূপ বুলিয়েই ক'ব পাৰি।

কৃত্ৰিম বুদ্ধিমত্তা (AI), হৈছে এনে এক প্ৰযুক্তি, যিয়ে যন্ত্ৰক মানুহৰ দৰে চিন্তা কৰা, শিক্ষা গ্ৰহণ কৰা, সমস্যা সমাধান কৰা আৰু সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা প্ৰদান কৰে। বিগত শতিকাত বিজ্ঞানীসকলৰ 'যন্ত্ৰই চিন্তা কৰিব পাৰে নেকি?' প্ৰশ্নই (AI)ৰ ভেটি স্থাপন কৰিছিল। ১৯৫০ চনত এলান ট্ৰাৰিঙে তেওঁৰ বিখ্যাত 'ট্যুৰিঙ টেষ্ট'ৰ জৰিয়তে এই প্ৰশ্ন উত্থাপন কৰিছিল।

**AI ৰ সম্ভাৱনা ঃ**

এই পৃথিৱীখন অলেখ অযুত সম্ভাৱনাৰ কেন্দ্ৰস্থল। এই পৃথিৱীখনকে 'বিশ্বপুথি' বুলি কোৱা হয়। সেয়ে আজি একবিংশ শতিকাৰ সঘন ব্যৱহৃত মাধ্যম মোবাইল, ইণ্টাৰনেট আমাৰ বাবে সম্ভাৱনাাৰ এক অংশ। মোবাইলৰ পিছতে শেহতীয়াকৈ সংযোগ হোৱা এই ইণ্টাৰনেটৰ পৃথিৱীখনো এখন বিশ্বপুথি সদৃশ চাৰিওফালে মানুহক ইণ্টাৰনেটৰ মায়াজালে আৱৰি আছে। আঙুলিৰ সামান্য টিপাতেই আৱদ্ধ আছে পৃথিৱীৰ অফুৰন্ত তথ্য ভাণ্ডাৰ। এইয়া বিশ্ববাসীৰ বাবেই আশীৰ্বাদ মানুহৰ পৰা মানুহলৈ যুগসূত্ৰৰ দিশে এখোজ আগবাঢ়ি কৃত্ৰিম বুদ্ধিমত্তাই মানুহৰ মনৰ পৰা অনুভৱ তাৎক্ষণিক যুগসূত্ৰ ৰক্ষা কৰিবলৈ সক্ষম হৈ পৰিছে। মানৱ মগজুৰ চিন্তন-মনন আৰু কৰ্ষনকো কৃত্ৰিম বুদ্ধিমত্তাই কাঢ়ি ল'ব পৰা হৈছে। বহুসময়ত কৃত্ৰিম বুদ্ধিমত্তাই মানৱ মনৰ কষ্ট লাঘৱ কৰাত সফল হৈছে। আমাজনৰ এলেক্সা, এপ'ল'ৰ চিৰি আদিয়ে মানুহৰ আদেশ শুনা মাত্ৰেই চুইছ অফ-অন কৰাৰ পৰা আৰম্ভ কৰি দৈনিক সকলো কাম কৰি আছে। মানুহবোৰ যন্ত্ৰৰ অধীন হৈ পৰিছে।

**AI ৰ সংশয় ঃ**

কৃত্ৰিম বুদ্ধিমত্তাৰ উত্থানে বৌদ্ধিক সম্পত্তিৰ বীৰণাক এক অভূতপূৰ্ব সংকটৰ

সন্মুখীন কৰিছে। এতিয়া যন্ত্ৰই কবিতা লিখিব পাৰে, চিত্ৰ অংকন কৰিব পাৰে আনকি সংগীতো সৃষ্টি কৰিব পাৰে AI এ। কৃত্ৰিম বুদ্ধিকত্তাই মানৱ সৃষ্টিক হুবহু অনুকৰণ কৰিছে। এইটোৱেই আজিৰ তাৰিখত বিশ্বৰ বিভিন্ন প্ৰান্তৰত থকা শিল্পী-সাহিত্যিকসকল, গৱেষক-চিন্তাবিদসকলক বিব্ৰত কৰিছে। অনেকৰ বৌদ্ধিক সম্পদ চুৰি হৈছে। মানুহৰ কাম যন্ত্ৰই কাঢ়ি লৈছে। উচ্চ বেতনৰ চাকৰি যেনে ছফটৱেৰ অভিযন্তা, সাংবাদিকতা, চিকিৎসা, উদ্যোগ, সৃষ্টিশীল ৰচনা আদিতো AI ৰ প্ৰভাৱ পৰিলক্ষিত হৈছে। যাৰবাবে মানৱ সমাজলৈ সংশয় নামি আহিছে। AI ৰ আগমনে সমাজখন তথ্য বা ডাটাৰ ওপৰত নিৰ্ভৰশীল কৰি তুলিছে। মানৱীয় আৱেগ অনুভূতিৰ সৈতে বিচ্ছিন্ন কৰি পেলাইছে। AI ৰ ক্ষমতা যিমানেই অভূতপূৰ্ব নহওক কিয়, মানুহৰ কিছুমান গুণ তাক কেতিয়াও প্ৰতিস্থাপন কৰিব নোৱাৰে। মানুহৰ আবেগ, সহানুভূতি, নৈতিক বিবেচনা, কল্পনাশক্তি আৰু সামাজিক সংহতিৰ ক্ষমতাক যন্ত্ৰই কেৱল অনুকৰণ কৰিব পাৰে, কিন্তু আয়ত্ত কৰিব নোৱাৰে।

বৰ্তমান AI আদিস্তৰত আছে। পূৰ্ণ বিকাশ হোৱা নাই যদিও তীব্ৰ গতিত বিকাশৰ কাম চলি আছে। পৃথিৱীৰ ডাঙৰ ডাঙৰ ব্যৱসায়ীক প্ৰতিষ্ঠানবোৰে AI ৰ সুবিধা গ্ৰহণ কৰিছে। এইক্ষেত্ৰত গুগ'ল, এপ'ল, আমাজান আদিৰ কথা ক'ব পাৰি। মানুহৰ দৈনন্দিন কাম সহজ আৰু সুলভ কৰি তুলিছে AI এ।

বৰ্তমান পৃথিৱীত Advanced Technology ৰ AI ৰবটক চুপাৰ কম্পিউটাৰ আৱিস্কাৰৰ দিশত আগবাঢ়ি গৈ আছে। বহু বিজ্ঞানীৰ মতে AI মানৱ জাতিৰ বাবে সংশয়ৰ ভাবুকি। ষ্টি'ফেন হকিঙেও কৃত্ৰিম বুদ্ধিমত্তাৰ আৱিস্কাৰ মানৱ জাতিৰ বাবে এক ভয়ানক বিপদ বুলি অভিহিত কৰি আগজাননী দিছিল। ইলন মাস্কেও AI ক মানৱতাৰ বাবে বিপদ বুলিয়ে ভাবে। তেওঁৰ মতে কৃত্ৰিম বুদ্ধিমত্তাৰ জন্ম দিয়া মানে আসুৰিক শক্তিক আমন্ত্ৰণ দিয়া।

এই পৃথিৱীত মানুহক জীৱশ্ৰেষ্ঠ বুলি কোৱা হয়, আৰু সেই অনুপাতে বুদ্ধিমত্তা। প্ৰকৃততে এই কথাটো ভুল হোৱাৰ দিশে গতি কৰিছে। মানুহৰ মগজু যদিও আটাইতকৈ জটিল সংৰচনা তথাপিও ইয়াৰ ভবাৰ এক সীমা আছে। কিন্তু AI সম্পন্ন ৰবটৰ তেনে কোনো সীমা নাই। ইহঁত ক্ৰমশঃ শক্তিশালীৰ পৰা শক্তিশালী হৈ গৈ থাকিব আৰু মানুহৰ নিয়ন্ত্ৰণৰ বাহিৰ হৈ পৰিব। যি ইচ্ছা তাকেই কৰিব, অসীমিতভাৱে কম্পিউটিং ক্ষমতা ব্যৱহাৰ কৰিব। ছফটৱেৰৰ গতি পোহৰৰ বেগৰ সৈতে যদি সমান হয়, তেতিয়া মানুহ আৰু ৰবটৰ বা মেচিনৰ মাজত যুদ্ধ সংঘটিত হ'ব। পৃথিৱীৰ পৰা মানৱ জাতিৰ অস্তিত্ব বিপন্ন হোৱাৰ দিশে গতি কৰিব বুলি বিজ্ঞানী সকলে ভাবে। ❑❑❑

# অসমীয়া সংস্কৃতিত জাতীয় সাজপাৰ

শ্ৰীমতী কেশৰী ভূঞা
**সহকাৰী অধ্যাপিকা**
অসমীয়া বিভাগ, সোণাৰি মহাবিদ্যালয়

জাতীয় সাজপাৰ হৈছে এটা জাতিক পৰিচয় কৰাই দিয়াৰ মূল সম্পদ। এজন ব্যক্তিৰ সাজপাৰৰ পৰাই তেওঁ কোনখন ৰাজ্যৰ বা কি জাতিৰ আমি অনুমান কৰিব পাৰে। জাতীয় সাজপাৰ পৰিধান কৰাটো কেৱল এটা পৰম্পৰাই নহয়, ই এজন ব্যক্তিৰ শক্তিশালী ব্যক্তিত্ব, স্বকীয়তা আৰু সংস্কৃতিৰ প্ৰতি থকা দায়বদ্ধতা প্ৰকাশ কৰে। জাতীয় সাজপাৰ পিন্ধিলে মনত এক সুকীয়া আত্মবিশ্বাস আৰু গৌৰৱবোধ জাগ্ৰত হয়।

অসম হৈছে ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ এখন সুন্দৰ আৰু সংস্কৃতিময় ৰাজ্য। ইয়াৰ ভাষা, সাহিত্য, সংগীত, নৃত্য, উৎসৱ-পাৰ্ৱণ আৰু সাজপাৰে অসমৰ সমৃদ্ধ সংস্কৃতিৰ পৰিচয় বহন কৰে। অসমীয়া সংস্কৃতিৰ অন্যতম গুৰুত্বপূৰ্ণ অংশ হৈছে জাতীয় সাজপাৰ। জাতীয় সাজপাৰ কেৱল পৰিধানৰ বস্তু নহয় ই অসমীয়া জাতিৰ ঐতিহ্য, সৌন্দৰ্য, শালীনতা আৰু আত্মপৰিচয়ৰ প্ৰতীক। অসমীয়া পুৰুষসকলৰ জাতীয় সাজ হৈছে ধুতি, চেলেং চাদৰ আৰু গামোচা। বিহু, বিবাহ, বিভিন্ন ধৰ্মীয় অনুষ্ঠানত পুৰুষসকলে ধুতি, চেলেং চাদৰ পৰিধান কৰে। এই সাজে অসমীয়া পুৰুষৰ শালীনতা আৰু ঐতিহ্য প্ৰকাশ কৰে। গামোচা অসমীয়া সংস্কৃতিৰ এক অমূল্য সম্পদ। গামোচা কেৱল এখন কাপোৰ নহয়, ই অসমীয়া জাতিৰ সন্মান আৰু মৰমৰ প্ৰতীক। অতিথিক আদৰণি জনোৱা, বিহুত বিহুৱান দিয়া, নামঘৰত ব্যৱহাৰ কৰা, পূজা-পাৰ্ৱণত লোৱা আদি সকলো ক্ষেত্ৰতেই গামোচাৰ বিশেষ স্থান আছে। সাধাৰণতে গামোচাত ৰঙা কেচ বচা হয়। আৰু পাৰিত ৰঙা ফুল বচা হয়। গামোচাই অসমীয়া সংস্কৃতিৰ এক বিশেষ পৰিচয় বহন কৰি আছে।

অসমীয়া মহিলাসকলৰ জাতীয় সাজ হৈছে মেখেলা-চাদৰ। মেখেলা-চাদৰ অমসীয়া নাৰীৰ সৌন্দৰ্য্য আৰু শালীনতাৰ প্ৰতীক। মুগা, পাট আৰু নুনী সূতাৰ মেখেলা-চাদৰ অধিক মূল্যবান আৰু জনপ্ৰিয়। বিশেষকৈ বিয়া, বিহু আৰু অন্যান্য সামাজিক অনুষ্ঠানত মহিলাসকলে মেখেলা-চাদৰ পৰিধান কৰে। অসমৰ বয়নশিল্প বিশ্ববিখ্যাত। অসমৰ বহু মহিলাই ঘৰৰ তাঁতশালত কাপোৰ বয়। মুগা, পাট, এৰি কাপোৰ অসমৰ গৌৰৱ। মুগা সূতাৰ সোণালী উজ্জ্বলতাই অসমীয়া সাজপাৰক বিশেষ সৌন্দৰ্য্য প্ৰদান কৰে। অসমৰ হাতে বোৱা কাপোৰ ৰাজ্যখনৰ সংস্কৃতি আৰু কলাৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰে।

ৰঙালী বিহু অসমৰ প্ৰধান উৎসৱ। এই উৎসৱত জাতীয় সাজপাৰৰ বিশেষ

গুৰুত্ব আছে। অসমীয়া ডেকা-গাভৰুৱে ধুতি-গামোচা আৰু মেখেলা-চাদৰ পিন্ধি বিহু নৃত্য কৰে। বিহুৰ সময়ত এই জাতীয় সাজে অসমৰ উৎসৱমুখৰ পৰিৱেশ অধিক মনোমোহা কৰি তোলে।

অসমীয়ৰ জাতীয় সাজপাৰে আজিৰ আধুনিক যুগতো নিজৰ মৰ্যাদা বজাই ৰাখিবলৈ সক্ষম হৈছে। যুৱক-যুৱতী সকলোৱে আধুনিক সাজৰ লগতে জাতীয় সাজপাৰকো সমান মৰ্যাদা দিব লাগিব। বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়ৰ সাংস্কৃতিক অনুষ্ঠান আৰু জাতীয় উৎসৱত জাতীয় সাজ  পৰিধান কৰিব লাগে। ইয়াৰ ফলত নতুন প্ৰজন্মৰ মাজতো নিজ সংস্কৃতিৰ প্ৰতি আগ্ৰহ বৃদ্ধি পাব। অসমীয়া জাতীয় সাজপাৰে অসমীয়া সমাজৰ সামাজিক আৰু সাংস্কৃতিক মূল্যবোধ প্ৰকাশ কৰে। ই শালীনতা, সৌন্দৰ্য, ভদ্ৰতা আৰু পৰম্পৰাৰ প্ৰতীক। জাতীয় সাজপাৰ যোৰে অসমীয়া মানুহক একতাৰ জৰীৰে বান্ধি  ৰাখে  আৰু নিজৰ সাংস্কৃতিৰ প্ৰতি গৌৰৱ অনুভৱ কৰায়। অসমীয়া জাতীয় সাজপাৰ অসমৰ ঐতিহ্য আৰু সংস্কৃতিৰ অমূল্য সম্পদ। ধুতি, চেলেং চাদৰ, গামোচা আৰু মেখেলা-চাদৰে অসমীয়া জাতিৰ স্বকীয় পৰিচয় বিশ্বদৰবাৰত উজ্জ্বলাই তুলিছে। সেয়ে এই ঐতিহ্য সংৰক্ষণ আৰু আগন্তুক প্ৰজন্মলৈ আগবঢ়াই নিয়াটো আমাৰ সকলোৰে দায়িত্ব।

❑❑❑

“বিভাগীয় দিনলিপি”

# ষষ্ঠ যান্মাসিকৰ প্ৰকল্পৰ বিষয়সমূহ

| ক্ৰ: নং | প্ৰকল্পৰ বিষয় | ছাত্ৰ-ছাত্ৰীৰ নাম |
|---|---|---|
| ১ | ড° মৃণাল কলিতাৰ ‘বকুল ফুলৰ দৰে’ উপন্যাসত শিশুৰ মনস্তত্ব | অংকিতা কোঁৱৰ<br>স্বপ্না চাছা<br>দেৱযানী গগৈ |
| ২ | ৰুবুল মাউতৰ আত্মজীৱনী ‘মোৰো এটা সপোন আছে’ত লেখকৰ জীৱন দৰ্শন | ডলী বৰগোহাঁই<br>হৰিপ্ৰিয়া বৰদলৈ |
| ৩ | উমাকান্ত শৰ্মাৰ উপন্যাস ‘এজাক মানুহ এখন অৰণ্য’ ৰ এটি বিশ্লেষণ | শান্তি তাছা<br>মাম্পী বৰুৱা |
| ৪ | অনুৰাধা শৰ্মা পুজাৰীৰ উপন্যাস ‘নাহৰৰ নিৰিবিলি ছাঁ’ ৰ এটি বিশ্লেষণ | পাহি বৰুৱা<br>ৰুমী দিহিঙ্গীয়া<br>ৰূপা লামা |
| ৫ | ৰজনীকান্ত বৰদলৈৰ উপন্যাস ‘মিৰি জীয়ৰী’ত জনজাতীয় প্ৰসংগ | বিনিতা মানকি<br>পায়ল চাংমাই<br>সুদৰ্শিনা গগৈ |
| ৬ | বাবুল তামুলীৰ দ্বাৰা অনুদিত উপন্যাস ‘এটি কলি দুটি পাত’ত চাহ-শ্ৰমিকৰ জীৱন সংগ্ৰাম | কাব্যশ্ৰী দুৱৰা<br>দেৱশ্ৰী গগৈ<br>কল্পিতা গগৈ |
| ৭ | তুলিকা শইকীয়াৰ উপন্যাস ‘চাৰিশাল গোঁসানীৰ তেজ’ এটি বিশ্লেষণ | গায়ত্ৰী গোৱালা<br>মেনকা তাঁতী<br>পিংকি ঠাকুৰী |
| ৮ | হোমেন বৰগোহাঞিৰ উপন্যাস ‘হালধীয়া চৰায়ে বাওধান খায়’ত শোষিত কৃষকৰ চিত্ৰ | প্ৰিয়া গগৈ<br>মানৱী গগৈ |

| ক্র: নং | প্রকল্পৰ বিষয় | ছাত্র-ছাত্রীৰ নাম |
| --- | --- | --- |
| ৯ | আব্দুল মালিকৰ ‘অঘৰী আত্মাৰ কাহিনী’ত সামাজিক চিত্র | কস্তুৰী কোঁৱৰ<br>বিশাল গোৱালা<br>ঘনশ্যাম দাস<br>কৌশিক বৰুৱা<br>মানস প্রতীম গগৈ<br>দীপশিখা চেতিয়া |

তত্বাৱধায়ক : ড° ৰীতা দত্ত, মুৰব্বী
ড° দেৱজিৎ বৰা
২০২৫ বৰ্ষ

# অসমীয়া বিভাগৰ পঞ্চম যান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ Internshipৰ বিষয়সমূহ – 2025-2026

| Sl No. | Topic | Students Name |
|---|---|---|
| 1 | A Survey of School Dropout<br>(Naphuk Tea Estate) | Gayatri Mahali<br>Laxmi Sharma<br>Priyakshi Phukon<br>Pragyashree Phukon<br>Maina Tanti<br>Sanghamitra Changmai |
| 2 | A Survey on Digital Literary in Rural Area<br>(Borahi kachari Gaon) | Sujit Hamron<br>Niren Das<br>& others |
| 3 | Child Education in Tea Garden Area<br>(Naphuk Tea Estate, 2 No. Line) | Minakshi Boruah<br>& others |
| 4 | To Raise Awareness about the importance of Hygiene, Education, Skill Development and Child Rights among the Children, Teen Agers, School Dropouts<br>(Soanri 13 No Line, Ward No. 9) | Poli Changmai<br>& others |
| 5 | Survey on School Dropout<br>(Joboka Tea Estate) | Purnima Das |

| Sl No. | Topic | Students Name |
|---|---|---|
| 6 | Survey on College Dropout (Sonari College) | Jayshree Chabukdhara<br>Palki Priya Konwar<br>Kashyapi Konwar<br>Niharika Boruah<br>Mallika Borah |
| 7 | Unemployment Problem (Bahbari Gaon) | Rodali Borgohain<br>Hamikhya Saikia<br>Ashapurna Basha |
| 8 | মুগা চোমনীৰ সংৰক্ষণ আৰু বিকাশ – জনসাধাৰণৰ ভূমিকা (সাপেখাতী চৰকাৰী মুগা চোমনী আৰু লখিমীপাম গাঁও) | Dharitree Buragohain<br>Pallabi Mech<br>Prasanta Khamon<br>Monika Gogoi<br>Dhondeep Changmai<br>Prerona Gogoi<br>Susmita Gogoi<br>Jyotishna Gogoi<br>Pronita Duwarah<br>Prerona Konwar<br>Munni Gogoi |
| 9 | শিশুৰ আচৰণত শিক্ষাগত স্থানৰ ভূমিকা (টঙ্গোচান কমিউনিটি লাইব্ৰেৰী) | Pallabi Molia<br>Noresh Chacha<br>Rituraj Basumatari |

| Sl No. | Topic | Students Name |
|---|---|---|
| 10 | A Survey on the Socio Economic Condition of the people (Rajapukhuri Nakachari Village) | Pritimala Kurmi<br>Udayan Phukon<br>Liyagchi Buragohain<br>Ananda Baruah<br>Uttam Kumar<br>Debojit Tantabai |
| 11 | Awareness on infections Diseases (jutuloni, Longpotia) | Nironjan Machari |

# মহাবিদ্যায় সপ্তাহত অসমীয়া বিভাগৰ দ্বাৰা প্ৰাপ্ত দলীয় বঁটাসমূহ

## ২০২৩-২০২৪ বৰ্ষ

| ক্ৰ: নং | সংখ্যক | স্থান | প্ৰতিযোগিতা |
|---|---|---|---|
| ১ | ৫৫ | শ্ৰেষ্ঠ | নাটক |
| ২ | ৫৫ | প্ৰথম | বিয়ানাম |
| ৩ | ৫৫ | তৃতীয় | দিহানাম |
| ৪ | ৫৫ | তৃতীয় | সাংস্কৃতিক শোভাযাত্ৰা |
| ৫ | ৫৫ | প্ৰথম | দলীয় নৃত্য |
| ৬ | ৫৫ | তৃতীয় | প্ৰাচীৰ পত্ৰিকা |

# অসমীয়া বিভাগৰ দ্বাৰা সম্পাদিত বাষিক কাৰ্য্যসমূহ
# ২০২৩-২০২৪ বৰ্ষ

| ক্র: নং | কাৰ্য্যাৱলী | তাৰিখ |
|---|---|---|
| ১ | বিভাগীয় প্ৰাচীৰ পত্ৰিকা 'সাহিত্যম' উন্মোচন | ২৩-০১-২০২৩ |
| ২ | আৰ্ন্তজাতিক মাতৃ দিৱস : "Multilinguel Education : A necessity to transform Education" | ২০-০২-২০২৩ |
| ৩ | ক্ষেত্ৰ অধ্যয়ন/প্ৰকল্প : Festival of Mising Community | ০৫-০৩-২০২৩ |
| ৪ | ক্ষেত্ৰ অধ্যয়ন/প্ৰকল্প : Socio-Culture life of Tai Khamyeng Community | ১২-০৩-২০২৩ |
| ৫ | ক্ষেত্ৰ অধ্যয়ন/প্ৰকল্প : Traditional Customs of Tea Community | ১৯-০৩-২০২৩ |
| ৬ | MOU : সোণাৰি আৰু সাপেখাতী কলেজ আলোচনা সত্ৰ : Project Preparation System | ২৯-০৩-২০২৩ |
| ৭ | MOU : সোণাৰি আৰু শ্বহীদ পিয়লি ফুকন কলেজ | ৩০-০৩-২০২৩ |
| ৮ | বিহু আদৰণি (অসমীয়া কেলেণ্ডাৰ উন্মোচন, আধাৰ উন্মোচন আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সমাৰোহ) | ১২-০৪-২০২৩ |
| ৯ | Induction Programme : FYUGP (বিভাগীয়) | ০১-০৮-২০২৩ |
| ১০ | বিভাগীয় সভা | ১৮-০৮-২০২৩ |
| ১১ | শিক্ষক দিৱস পালন | ০৫-০৯-২০২৩ |
| ১২ | এদিনীয়া আলোচনা সভা : Ethnic Culture of Assam (on line) সোণাৰি-সাপেখাতী কলেজ | ১৮-০৯-২০২৩ |
| ১৩ | বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ জন্ম দিৱস উদযাপন | ১৪-১০-২০২৩ |
| ১৪ | Mentor-Mentree Meeting (FYUGP) | ১৭-১০-২০২৩ |

| ক্র: নং | কাৰ্য্যাৱলী | তাৰিখ |
|---|---|---|
| ১৫ | আন্তঃ বিভাগীয় আলোচনা সত্ৰ তথা বক্তৃতানুষ্ঠান (অসমীয়া আৰু শিক্ষাতত্ব বিভাগ) Person, Personal and Personality Development | ১৯-১০-২০২৩ |
| ১৬ | DMC (Department Management Committee) গঠন | ২০-১০-২০২৩ |
| ১৭ | ড° ভূপেন হাজাৰিকাৰ মৃত্যু দিৱস উদযাপন | ০৪-১১-২০২৩ |

## ২০২৪-২০২৫ বৰ্ষ

| ক্র: নং | কাৰ্য্যাৱলী | তাৰিখ |
|---|---|---|
| ১৮ | চতুৰ্থ ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীক ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ ‘সন্ধ্যাৰাগ’ বোলছবি প্ৰদৰ্শন | ০৩-০৪-২০২৪ |
| ১৯ | ষষ্ঠ ষান্মাসিকৰ বিদায় সভা | ০৯-০৪-২০২৪ |
| ২০ | বিহু আদৰণি আৰু আলোচনা চক্ৰ | ১০-০৪-২০২৪ |
| ২১ | পঞ্চম ষান্মাসিকৰ ছাত্ৰী দীপশিখা চেতিয়াৰ ঘৰত মাতৃৰ বিয়োগত কায়িক সমবেদনা জ্ঞাপন | ২৭-০৪-২০২৪ |
| ২২ | প্ৰাক্তন অধ্যক্ষ ৰবীন চন্দ্ৰ কোঁৱৰ ছাৰে কিতাপৰ বাবদ আগবঢ়োৱা অনুদান (১১০০০) গ্ৰহণ | ০২-০৯-২০২৪ |
| ২৩ | ‘সাহিত্যম’, বতৰা আৰু দৈনিক লেখা প্ৰাচীৰ পত্ৰিকা উন্মোচন আৰু শিক্ষক দিৱস উদযাপন | ০৫-০৯-২০২৪ |
| ২৪ | ড° ভূপেন হাজাৰিকাৰ মৃত্যু দিৱস পালন | ০৫-১১-২০২৪ |
| ২৫ | “ভাষা গৌৰৱ শপত” : আলোচনা সত্ৰ উদযাপন | ০৮-১১-২০২৪ |
| ২৬ | দ্বিতীয়, চতুৰ্থ আৰু ষষ্ঠ ষান্মাসিকৰ মাজুলী ভ্ৰমণ আৰু প্ৰকল্প | ০৫-০১-২০২৫ |
| ২৭ | ড০ মহেন্দ্ৰ বৰা স্মাৰক বক্তৃতা | ২৩-০২-২০২৫ |

| ক্র: নং | কাৰ্য্যাৱলী | তাৰিখ |
|---|---|---|
| ২৮ | ৰঙালী বিহু আদৰণি আৰু আলোচনা চক্ৰ | ১২-০৪-২০২৫ |
| ২৯ | ৰাভা দিৱস উদযাপন | ২০-০৬-২০২৫ |
| ৩০ | আবৃত্তি কৰ্মশালা : অসম আবৃত্তি পৰিষদৰ সৌজন্যত<br>গ্ৰন্থ উন্মোচন : ব্যক্তিত্ব বিকাশ আৰু সুকুমাৰ কৌশল | ৩০-০৮-২০২৫ |
| ৩১ | মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসত 'আধাৰ" উন্মোচন | ০৫-০৮-২০২৫ |
| ৩২ | নৱাগত আদৰণি সভা | ১৫-০৮-২০২৫ |
| ৩৩ | ষষ্ঠ ষান্মাসিকৰ বিদায় সভা | ১৯-০৮-২০২৫ |
| ৩৪ | কিতাপ পঢ়াৰ আনন্দ আৰু মাদকতা (গ্ৰন্থাগাৰ আৰু অসমীয়া বিভাগ) | ০৪-১১-২০২৫ |

## ২০২৬ বৰ্ষ

| ক্র: নং | কাৰ্য্যাৱলী | তাৰিখ |
|---|---|---|
| ৩৫ | ৰঙালী বিহু উদযাপন আৰু আলোচনা চক্ৰ | ১১-০৫-২০২৬ |
| ৩৬ | ভূপেন্দ্ৰ মেল -৩ (চৰাইদেউ জিলা কবি চক্ৰৰ উদ্যোগত আৰু অসমীয়া বিভাগৰ সহযোগত) | ২৫-০৭-২০২৬ |
| ৩৭ | 'আধাৰ' উন্মোচন, সোণাৰি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস | ০৫-০৮-২০২৬ |